# চান্দমামা

ফেব্ৰুৱাৰি ১৯৯৪




ষ্টাম্প গ'লে পৰি কৈ গ'ল কি? খেলৰ আচল শক্তি দিয়ে যি

**পাৰ্লে-জি**

সোৱাদ-ভৰা, শক্তি-ভৰা।

ভাৰতৰ সৰ্ব্বাধিক বিক্ৰী হোৱা বিস্কুট।

everest/93/PP/173-as

SRI GANESH BOOK STALL
Tihu, Nalbari (Assam)



মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

# চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্‌,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক ।

বছৰেকীয়া বৰঙনি

**অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ**

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে **252.00**

**ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ**

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে **252.00**

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :

ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

কিযে চমৎকাৰ মচলাদাৰ
লিজ্জত পাপড় বিচাৰোঁ বাৰবাৰ
লিজ্জত পাপড
Lijjat
পাপড়
সাতবিধ মুখৰোচক, মুৰমুৰীয়া সোৱাদত –
মাটিমাহ, মাটিমাহ স্পেচিয়েল, মগু, পাঞ্জাবী স্পেচিয়েল, নহৰু, জলকীয়া।
SYMBOL OF WOMAN'S STRENGTH

Sunday, Piano, Nursery Rhymes
It's Morton for me all the time

MORTON
SWEETS

I Love my Sundays ….. Nursery Rhymes and my Mummy close to me and Mortons
all the time. It has been our Family's favourite for years and years.
Delicious and yummy in so many flavours. All with the goodness of
Creamy Milk, Glucose and Sugar.
Chocolate and Coconut Cookies, Rose Eclairs, Supreme
Chocolate and Coconut Toffees, Lacto Bonbons Mango King
and so many other delicious treats.
Um m m m m Every bite a yummy delight.

A lifetime of real goodness

**MORTON CONFECTIONERY & MILK PRODUCTS FACTORY**
P.O. : Marhowrah 841 418 Dist. : Saran, Bihar

OC/M-1/93

**Caution Notice :**
MORTON and its wrappers are registered trade mark of Upper Ganges Sugar Industries Ltd. Any infringement of trade mark rights is liable to prosecution.

# চান্দমামা

সংস্থাপক : চ ক্র পা ণি        সঞ্চালক : বি নাগিৰেড্ডি

## বিশ্ব-ভ্ৰাতৃত্ব

১৯২৪ চনত, গুজৰাট বিদ্যাপীঠ প্ৰতিষ্ঠাৰ চাৰি বছৰৰ পাছত. গাঁধীজীয়ে ( গান্ধীজীয়ে ) সেই বিদ্যাপীঠৰ ছাত্ৰসকলৰ আগত ভাষণ দিওঁতে কৈছিল যে—হিন্দু মুছলমান পাৰ্ছি ইহুদি বা খৃষ্টান — সকলোকে সিংতে 'ভাই' বুলি আন্তৰিকভাৱে ভাবে যেন। কেৱল ভাবিলেই নহ'ব, সকলোকে সেই মতে—অৰ্থাৎ ভাতৃৰ দৰে গ্ৰহণ, তেওঁলোকৰ সৈতে সেই মতে আচৰণো কৰিব লাগিব। নহ'লে আজিৰ এই বিস্তৃত বিশ্বত আমাৰ স্থান নহ'ব।

গাঁধীজীয়ে তেওঁৰ সম্পাদিত 'ইয়াং ইণ্ডিয়া' নামৰ আলোচনীতো এই একেই কথা কৈছিল। তেওঁ স্পষ্ট ভাষাৰেই কৈছিল যে— যুৱকসকলে নিজক কোনোবা প্ৰদেশৰ, কোনোবা চহৰ-নগৰৰ বা কোনোবা বিশেষ সম্প্ৰদায়ৰ বা শ্ৰেণীৰ বা জাতৰ বুলি ভাবিলে নহ'ব, তেওঁলোকে নিজক ভাবিব লাগিব—সমগ্ৰ মহাদেশৰ।

আদি শংকৰেও কৈছিল : বিশ্বৰ সদৌটিৰে সৈতে নিজক সাঙুৰিব পৰাৰ মাজতেই প্ৰকৃত শিক্ষাৰ মহত্ব নিহিত। দুৰ্ভাগ্যৰ কথা, আজিৰ যুগৰ শিক্ষা বৰ আন্তৰিক নহয়, বৰঞ্চ ক'ব পৰা যায়—অধিকভাবেই বাহ্যিক ।

প্ৰকৃত শিক্ষাই মানুহক পৰিচ্ছন্ন চিন্তাব, ভদ্ৰ আচৰণৰ. সুস্থ কৰ্মধাৰাৰ আৰু মুক্ত জ্ঞানৰ সমল দিয়ে। প্ৰকৃত শিক্ষাই মানুহক বিশ্ব-ভ্ৰাতৃত্বৰ বোধেৰে উদ্বুদ্ধ কৰে।

আজিৰ যুগত আমাকো সেই শিক্ষা লাগে।

বছৰ : ১৮    ফেব্ৰুৱাৰি ১৯৯৪    সংখ্যা : ১১

খনে ৪'০০ টকা :: বছৰেকীয়া বৰঙনি ৪৮'০০ টকা



"চকচকীয়া নিপ, আকাৰত দীপলীপ
হমৱৰ্ক কৰাত মোৰ কেমলিন তীখৰজিৎ !"

আমাৰ কনমান পাশাৰ ৰহস্য — কেমলিন
ফাউন্টেইন পেন। ইহঁতৰ উৎকৃষ্ট নিপৰ
জোৰত লিখিব পাৰি সলসলীয়াকৈ—
খৰটকীয়াকৈ। গতিকেই আমাৰ কনমানি
পাশাই হমৱৰ্ক কৰিব পাৰিব টিপিকতে।
আৰু খেলাৰ বাবে সময়েই সময় !

camlin

গলে গলে লগা সংগী।

Contract.CL.922.93.As

## পৃথিৱীৰ খিৰিকীৰে :

# একালৰ দুজন 'কটা'—একেলগে ন'বেল 'বঁটা'

এতিয়া সকলোৰে দৃষ্টি নৰওৱেৰ ৰাজধানী অ'ছ্লোত। ইয়াত ন'বেল বঁটা প্ৰদান-সামাতৰ অধিবেশন পতা হয়, আৰু কিহৰ কাৰণে কাক ন'বেল বঁটা প্ৰদান কৰা হ'ব—তাৰ নিৰ্ণয় কৰা হয়। প্ৰতি বছৰৰ ডিচেম্বাৰ মাহত এই পুৰস্কাৰ-প্ৰদানৰ অনুষ্ঠান অনুষ্ঠিত হয়।

এই বছৰ এই বঁটাৰ অন্যতম প্ৰাপকদ্বয়ৰ নাম হ'ল এফ. ডাব্ল্যু. ডে' কিৰ্ক আৰু নেলছন ম্যাণ্ডেলা। প্ৰথমোক্ত হ'ল দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি আৰু দ্বিতীয়জন হ'ল আফ্ৰিকাৰ জাতীয় কংগ্ৰেছৰ সৰ্বাধ্যক্ষ।

এসময়ত—উভয়েই আছিল পৰস্পৰৰ শত্ৰু। কিন্তু—ন'বেল বঁটা কমিটিয়ে এই সিদ্ধান্ত কিয় ল'লে? দুজন 'পৰস্পৰ শত্ৰু'ক কিয় বাছিলে?

ইতিহাসৰ পাত লুটিয়ালেই ওলাই পৰিব যে—দক্ষিণ আফ্ৰিকা নামৰ ভূখণ্ডত বিগত এশ বছৰ ধৰি বৰ্ণবিদ্বেষী-জাতিবিদ্বেষী স্বেচ্ছাচাৰী শাসন চলি আছিল। এই শাসকইত আছিল শ্বেতাংগ। কৃষ্ণকায় অৰ্থাৎ ক'লা বৰণৰ কোনো ব্যক্তিকেই তেওঁলোকৰে দেশৰ শাসনকাৰ্য্যত শ্বেতাংগইতে ভাগ ল'বলৈ দিয়া নাছিল। কৃষ্ণকায় লোকসকলক অৰ্থনৈতিক দিশতো মূৰ দাঙিবলৈ দিয়া নহৈছিল। শিক্ষাক্ষেত্ৰতো কৃষ্ণকায়সকলক বঞ্চিত কৰা হৈছিল। দেশৰ উন্নতিৰ অৰ্থে কৃষ্ণকায়সকলৰ বৰঙনি স্বীকাৰ কৰা নহৈছিল।

কিন্তু কিমান দিনলৈনো কৃষ্ণকায়সকলক অৱদমিত কৰি প্ৰবঞ্চিত কৰা সম্ভৱ?

কৃষ্ণকায়সকলে শ্বেতকায়ইতৰ এই কঠোৰ তথা ন্যক্কাৰজনক দমননীতিৰ প্ৰতিবাদ কৰিলে। তেওঁলোকে গৰিলা-বাহিনী গঠন কৰি শ্বেতাংগ চৰকাৰৰ বিৰুদ্ধে থিয় দিলে। এই গৰিলা-বাহিনীৰ

নেতৃত্বত আছিল—নেলছন ম্যাণ্ডেলা। ১৯৬০ চনত তেওঁ আফ্রিকান জাতীয় কংগ্রেছৰ প্ৰতিষ্ঠা কৰিছিল। এই জাতীয় কংগ্রেছৰ লক্ষ্য আছিল—ধৰ্ম-নিৰপেক্ষ দক্ষিণ আফ্রিকাৰ প্ৰতিষ্ঠা।

কিন্তু আফ্রিকীয় জনসাধাৰণৰ অবিসম্বাদী নেতা নেলছন ম্যাণ্ডেলাক শ্বেতাংগ চৰকাৰে তৎক্ষণাৎ জেলত ভৰালে, আৰু তেতিয়াৰপৰা একেৰাহে ২৭ বছৰলৈ অনাৱশ্যকভাৱে আটক কৰি ৰাখিলে।

তথাপি কৃষ্ণকায় জনগণৰ স্বাধীনতাৰ বাবে আন্দোলন চলি থাকিল। আৰু—দিন যোৱাৰ লগে লগে শ্বেতাংগ শাসকইতো—ইজনৰ পাছত সিজনকৈ গৈ থাকিল-আহি থাকিল।

১৯৮৯ চনত ডে. ক্লিৰ্ক দক্ষিণ আফ্রিকাৰ ৰাষ্ট্ৰপতি হ'ল। দক্ষিণ আফ্রিকাৰ বিষয়ে তেওঁৰ দৃষ্টিভংগী তথা চিন্তাধাৰা আছিল অতীতৰ শ্বেতাংগ শাসকইততকৈ ভিন্ন ধৰণৰ। তেওঁ শ্বেতকায় আৰু কৃষ্ণকায়সকলৰ মাজত থকা কুৎসিত নিয়মনীতিসমূহক একে একে নোহোৱা কৰি থাকিল। শ্বেতকায়-ইতে যিবোৰ অন্যায় সুবিধা ভোগ কৰি আছিল, তেওঁ একে একে ৰদ কৰিলে আৰু চৰকাৰৰ প্ৰশাসনিক কামত কৃষ্ণকায় লোকসকলকো সাঙুৰি ল'লে। আৰু ১৯৯০ চনত এটি বিশেষ ঘটনা ঘটিল।

সেই ঘটনাটো আছিল আফ্রিকীয় নেতা নেলছন ম্যাণ্ডেলাৰ নিঃচৰ্ত মুক্তিলাভ। ইমান বছৰৰ অন্তত মুক্তিলাভ কৰাৰ পাছতো নেলছনে ঘোষণা কৰিলে যে—২৭ বছৰৰ আগতেও তেওঁৰ যি লক্ষ্য আছিল এতিয়াও তেওঁৰ সেই লক্ষ্য—আফ্রিকাত সংখ্যাগৰিষ্ঠৰ শাসন। সেই শাসন যদি শ্বেতকায়-ইতৰ হয়, তথাপি তেওঁক সংখ্যাগৰিষ্ঠতাৰ শাসনেই লাগে। লাগে—প্ৰজাতন্ত্ৰ।

শ্বেতকায় শাসক কৰ্তৃপক্ষৰ সৈতে এই বিষয়ে তেওঁৰ বাৰ্তালাপ আৰম্ভ হ'ল—অতি শান্তিপূৰ্ণভাৱে। আফ্রিকাৰ জাতীয় কংগ্রেছ আৰু শ্বেতাংগ চৰকাৰৰ মাজত বাৰ্তালাপ চলি থাকিল। কৃষ্ণকায় লোকসকলৰ দ্বিতীয় সংস্থা এটিকো আলোচনাৰ বাবে আহ্বান কৰা হ'ল। শতিকাজোৰা অবিশ্বাসৰ বৰফ গলিবলৈ ধৰিলে। আৰু দক্ষিণ আফ্রিকাত প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠাৰ পথ ক্ৰমাত পৰিষ্কৃত হৈ থাকিল।

এই কথা ঠিক যে—এই বাৰ্তালাপৰ পথ পৰিপূৰ্ণভাৱে নিষ্কণ্টক নাছিল। কিন্তু দক্ষিণ আফ্রিকাৰ শ্বেতকায় ৰাষ্ট্ৰপতি আৰু কৃষ্ণকায় নেতা যথাক্ৰমে ডে. ক্লিৰ্ক আৰু নেলছন ম্যাণ্ডেলা আছিল শান্তিৰ উৎস-বিচৰা সুস্থিৰ তথা দৃঢ়প্ৰত্যয়ী ব্যক্তি।

ন'বেল বঁটা পাই ডে. ক্লিৰ্কে মন্তব্য কৰিছে: এই সন্মান—মোৰ ব্যক্তিগত সন্মান নহয়, এই সন্মান শান্তিৰ সন্মান। নেলছন ম্যাণ্ডেলাই কৈছে: এই বঁটা সমগ্ৰ দক্ষিণ আফ্রিকাৰ সন্মান।

আমিও আমাৰ ভেদ-বিভেদ গুচাব নোৱাৰিমনে?

## এই বছৰৰ অন্য অন্য পুৰস্কাৰ বিজেতা

| | | |
|---|---|---|
| সাহিত্য | : | টনি মৰিছন, লোৰিয়ানৰ এগৰাকী আফ্রিকীয় আমেৰিকান মহিলা লেখিকা, ওহিঅ', U.S.A. |
| চিকিৎসা-শাস্ত্ৰ | : | ডা. ৰিচাৰ্ডছ, জে. ৰোবাৰ্টছ—ইউনাইটেড কিংডাম আৰু ডা. ফিলিপ এ. শ্বাৰ্প, U.S.A. |
| ভৌত-শাস্ত্ৰ | : | ৰাছেল এ. হালছে আৰু প্ৰোফেছাৰ ৰোছেফ এইচ্ছ. টে'লাৰ, U.S.A. |
| ৰসায়ন-শাস্ত্ৰ | : | কাৰি বি. মুল্লিছ. U.S.A., আৰু মাইকেল স্মিথ, CANADA. |
| অৰ্থ-শাস্ত্ৰ | : | প্ৰোফেছাৰ ৰোবৰ্ট ডব্লু. ফোগেল আৰু প্ৰোফেছাৰ ডগলাছ চি. নৰ্থ, U.S.A, |

# কুঞ্জী বেঙী সথাৰটেমি

ম্সুন্দৰী আছিল সুকুমাৰীৰ সখিয়েক। কিন্তু সিহঁত দুজনীৰ অৱস্থাৰ মাজত পাৰ্থক্য ঢেৰ। সু দৰী দুখীয়া, সুকমাৰীৰ সুখৰ অময়া। তথাপি সখি। পিছে—দুখীয়া হ'লে কি হ'ব, সুন্দৰীৰ আত্মাভিমান প্ৰবল। তাই কোনোদিন কোনো কথাতে সখিয়েক সু কু মা ৰী ৰ প ৰা একো-এটাও খোজাও নাই, লোৱাও নাই! কিন্তু ধনী-নিৰ্ধনৰ প্ৰভেদ-পাৰ্থক্যই সিহঁতৰ মাজত কেতিয়াও তিক্ততাৰও সৃষ্টি কৰা নাই।

এদিন এজন গহনাৰ বেপাৰী আহিল সুকুমাৰীহঁতৰ ঘৰলৈ গহনা বেচিবলৈ। সুন্দৰলাল নামৰ এই গহনাৰ বেপাৰীজন আছিল নামতো সুন্দৰ, দেখাতো। গহনাৰ ওপৰত নহয়, সু কু মা ৰী ৰ ৰ চকুযুৰি সুন্দৰলালৰ সুন্দৰ মুখখনৰ ওপৰত বৈ গ'ল আৰু তাইৰ মনত হঠাৎ-প্ৰেমৰ ধুমুহা বৈ গ'ল।

সুকুমাৰীয়ে তাইৰ মনৰ কথাটো সখিয়েক সুন্দৰীক ক'লে আৰু সুন্দৰলালে তাইক বিয়া কৰাবলৈ মান্তি হ'বনে নহ'ব — সেই কথাটো যেনেকৈয়েই নহওক সু ন্দ ৰ লা ল ক খ ৰ চি মা ৰি সুধি আহিবলৈ সখিয়েকক টানি অনুৰোধ কৰিলে। সু ন্দ ৰ লা লে যদি তাইক বিয়া কৰাবলৈ ডিঙি পাতি দিয়ে তেনেহ'লে—দেউতাকক তাই টিলিকি মাৰিয়েই পোনাব পাৰিব।

সুন্দৰীয়ে গহনাৰ বেপাৰী সুন্দৰলালক একাষৰীয়াকৈ মাতি নি সখিয়েক সুকুমাৰীৰ কথাখিনি ক'লে আৰু তাৰ পাছত — উত্তৰৰ আশাৰে সুন্দৰলালৰ

মিনা মহন্ত

মুখলৈ পোন দৃষ্টিৰে চালে।

সুন্দৰলালে সুন্দৰীক ক'লে, "বিয়া কৰাওঁৱেই যদি — তোমাক। তোমাৰ অপৰূপ সৌন্দৰ্য্যয়েই মোৰ হৃদয়খনক জোকাৰি গৈছে। তোমাক নাপাওঁ যদি মোৰ জীৱন হৈ যাব সিঁচা পানী।"

সখিয়েকৰ হৈ আহি—তাই নিজেই যে সঙ্গতি লগা হৈ যাব—তাইৰ কল্পনায়ো চুকি পোৱা নাছিল সেই কথা। তাই সুন্দৰলালক আন একো নোকোৱাকৈয়েই পোনে পোনেই সখিয়েক সুকুমাৰীক এই ঘটনাৰ কথা ক'লেগৈ। শুনি—সুকুমাৰীৰ সেই 'হঠাৎ প্ৰেমৰ ধুমুহা' হঠাৎ অহাদি হঠাৎ নোহোৱাও হৈ গ'ল।

কিছুদিনৰ অন্তত সুন্দৰলালে সুন্দৰীক বিয়া কৰালে, আৰু এক অন্য ঘটনাচক্ৰৰ ফলত—সুকুমাৰীৰো সেইখন গাঁৱতে বিয়া হ'ল, যিখন গাঁৱত আছিল সুন্দৰলালৰ ঘৰ। গাঁৱৰ নাম চক্ৰপুৰ।

সুকুমাৰীয়ে গম পালে যে—সুন্দৰীক সুন্দৰলালে বৰ আতলি-পুতলিকৈয়েই ৰাখিছে, আৰু তাই দুখীয়া সুন্দৰী—কাঠৰ পোকে কাঠ খাই তাত আয়মেৰেই দিনবোৰ-ৰাতিবোৰ কটাইছে।

গম পাই—আৰু তাইৰ নিজৰ ভমা-পৰা কপালৰ কথা ভাবি—তাইৰ মনে-চিতে ঈৰ্ষাৰ জুই জ্বলি উঠিল।

আচলতে—তাইৰ কপাল মুঠেই 'ভমা পৰা' বিধৰ নাছিল। তাইৰ ঘৰখনো আছিল যথেষ্ট ভাল অৱস্থাৰ, কিন্তু—তাইৰ 'মন-পছন' সুন্দৰ সুন্দৰলালক যে সুন্দৰীহেন লাও-লোৱাজনীয়ে লাংখা মাৰি দিলে — তাতেই তাইৰ খং। তাই যেনেকৈয়েই নহওক—সুন্দৰীৰ নাক সৰা কাঁচি দি কাটিবলৈ, চাকৰণী এজনীক লগত লৈ, সুন্দৰীৰ ঘৰলৈ বুলি খোজ ল'লে।

সুন্দৰীয়ে তাইৰ সখিয়েকক পাই আনন্দত বিভোল হ'ল। একে উশাহতে কত যে কথা তাই কৈ গ'ল!

পাছদিনা, ইকথা-সিকথাৰ মাজত সুকুমাৰীয়ে সুন্দৰীক ক'লে, "কথাটো ক'ব্লৈই, বেয়া নাপাবা। তোমালোকৰ ঘৰত কাম-বন কৰা মানুহ এজনী—মানে চাকৰণী এজনী নাই যে--বৰ দুখৰ কথা।"

"কোনে ক'লে নাই! আছে। নহ'লে —ঘৰ-দুৱাৰখিনি ইমান ফু মাৰি ভাত খাব পৰা হৈ থাকেনে?"

সুন্দৰীৰ কথাত সুকুমাৰীয়ে বেছিকৈ ভেবাচেকাহে খালে আৰু চাৰিওফালে ভালকৈ চালে, ক'তা, চাকৰণী-তাকৰণীৰ চিন-মোকামো নাই দেখোন!

যি কি নহওক, পাছদিনা শুচি যোৱাৰ আগে আগে সুন্দৰীয়ে তাইৰ সখিয়েক সুকুমাৰীৰ আগত এগাঠৰি শাড়ী উলিয়াই আনি সুকুমাৰীক ক'লে, "আমি টোকোনাই আৰুনো কি দিম—? এই-খিনিৰপৰা—যিখন মন যায়—এখন শাড়ী লৈ যোৱা। তোমালৈ এয়ে হ'ব মোৰ বিদায় উপহাৰ।"



সুকুমাৰীয়ে অলপ আঁতৰত থিয় হৈ থকা তাইৰ চাকাৰণীজনীক হাত-বাউল দি মাতিলে আৰু সেই শাড়ীৰ দ'মটোৰপৰা যেইকোনো এখন শাড়ী তাইক ল'বলৈ কৈ, সখিয়েক সুন্দৰীক ক'লে, "বেয়া নপাবা, যি দেখিছোঁ—এইবোৰ শাড়ী আমি পিন্ধিব পৰা নহয়। এইবোৰ শাড়ী পিন্ধি ওলাওঁ যদি—আমাৰ তেওঁৰ মান-সন্মান নথকা হ'ব, আৰু মোকো তেওঁ গালিৰে তেভূত কৰিব। গতিকে—তোমাৰ উপহাৰ আমাৰ চাকৰণীয়েই লওক।" ক্ষন্তেকমান বৈ সুকুমাৰীয়ে পুনৰ ক'লে, "তুমিও কেদিনমানৰ পাছত আমাৰ ঘৰলৈ আহা যদি—বৰ ভাল পাম। আৰু যাওঁতে—তোমালোকৰ চাকৰাণীজনীকো লগত লৈ যাবা।"

প্ৰায় এপ যমানৰ অন্তত সুন্দৰী এদিন সুকুমাৰীৰ ঘৰলৈ গ'ল। সুকুমাৰীয়ে সুন্দৰীক আথেবেথে বহুৱালে আৰু তাৰ

পাছত সুধিলে যে তাই তাইৰ চাকৰণী-জনীক নানিলে কিয়।

সুন্দৰীয়ে ক'লে, "তাইক তোমালোকৰ ঘৰলৈ লৈ আহিব পৰাবিধৰনে তাই ?'

সুন্দৰীৰ উত্তৰ শুনি সুকুমাৰীয়ে ভালেই পালে। বুজি পাওক তাই—বুজ লওক—সুন্দৰলাল দেখাতেহে সুন্দৰ, ধনে-ধানে টোকোনাবিধৰ। এইবাৰ সুন্দৰীয়ে গম লওক তাইৰ সখিয়েকৰ, বুজক, সুকুমাৰীয়ে এনেয়ে মুখেৰে ফুটনি নকৰে, তাইৰ কথা হ'ল সাঙীত নলৰা।

পাছদিনা, বিদায় লৈ যোৱাৰ পৰতে। সুকুমাৰীয়ে সুন্দৰীৰ আগত এজাপ শাড়ী মেলি ধৰিলে আৰু ক'লে, "যেইকোনো এখন লোৱা। এইবোৰ অতি দামী শাড়ী। মই অৱশ্যে—কেৱল ঘৰতহে এইবোৰ পিন্ধো, এইবোৰ শাড়ী-কাপোৰ পিন্ধি ওলাবৰলৈ' মোক নিদিয়েই—"

সুন্দৰীয়ে শাড়ী এখন ল'লে আৰু ক'লে, "মই দিয়াখন তুমি তোমালোকৰ চাকৰণীক দিছিলা, ময়ো আমাৰ চাকৰণী-জনীকহে দিম এইখন। বেয়া নাপাবা।"

প্ৰায় এমাহমানৰ অন্তত সুকুমাৰী পুনৰ এবাৰ সুন্দৰীহঁতৰ ঘৰলৈ গ'ল। সুন্দৰীয়ে সেইখন শাড়ী পিন্ধি কাম বন কৰি আছিল। যিখন সুকুমাৰীৰ ঘৰৰপৰা তাই লৈ আহিছিল চাকৰণীক দিবলৈ।

সুকুমাৰীয়ে সুসুধি নো ৰা ৰি লে "কথানো কি, সুন্দৰী ? চাকৰণীৰ কাৰণে আহিলা—নিজেই পিন্ধিলা ?"

সুন্দৰীয়ে হাঁহি মাৰি ক'লে, "তুমি বাস্তৱিকেই দৃষ্টিহীন আৰু বুদ্ধিহীন। মই—ময়েই যে আমাৰ ঘৰৰ চাকৰণী—সেই কথা আজিও বুজি নাপালানে ? আমি—নিজৰ কাম নিজেই কৰোঁ। নিজৰ খাদ্য নিজে খাওঁ, নিজৰ কামত লাজ নাপাওঁ নহওঁ কুঁজী নহওঁ বেঙী, কিয়নো হ'ম সথাৰ-টেমি ?" শুনি সুকুমাৰীয়ে সঠং দিলে।



# নিদিয়াতে দিয়ন

নবধৰ আছিল এটি লাও-লোৱা ডেকা। কিন্তু—লাগি থাকিলে যে মাগি খাব নালাগে—সেইটি কথাত সি আছিল থিৰ-নিশ্চয়। পিছে কথা হ'ল যে—লাগি থাকিব ক'ত। এনেতে—চুবুৰীয়া গাঁৱৰ মহীৰামক গোমস্তা এজন লাগে বুলি গম পাই নৱধৰ তৎক্ষণাৎ তালৈ গ'ল।

মহীৰামে নৱধৰক ক'লে, "কামটো—তুমিও পাব পাৰা। পিছে—পাঁচহেজাৰ মুদ্ৰা জমা ৰাখিব লাগিব। আৰু নোৱাৰা যদি, তেনেহ'লে — নাম-ডাক থকা কাৰোবাপৰা তোমাৰ নামত প্ৰশংসা-পত্ৰ এখন লৈ আহিব লাগিব।"

মহীৰামক লগত লৈয়েই নৱধৰ পোন পহিলতে দয়াৱান মহাজনৰ কাষ চাপিল। দয়াৱান আছিল এজন সুতখোৰ মহাজন। নৱধৰৰ কথা শুনি দয়াৱানে হাঁহি মাৰি ক'লে, "শুনা, তুমি হ'লা মোৰেই চুবুৰীয়া, তোমাক মই সৰুৰেপৰাই দেখি আহিছোঁ। মহীৰামে তোমাক বৰ বেছি ডেৰশ মুদ্ৰা বা দুশ মাহেকত দিব। তাৰে কেনেকৈনো তুমি পাঁচ—হেজ্জাৰ—মুদ্ৰা শুজিবা? আনকি—তুমি সুতখিনিও দেখোন দিব নোৱাৰিবা। গতিকে—তোমাক ধন ধাৰলৈ দিয়াৰ দৰে বুৰ্বকামি মই নকৰোঁ।"

তাৰ পাছত নৱধৰ মহীৰামৰ গাঁৱৰে সত্যনাথৰ কাষ চাপিলগৈ।

সত্যনাথে ক'লে, "আ! তুমিয়েই তেন্তে—নৱধৰ! তোমাক মই—আমাৰ গাঁৱৰ বাটেদি কেইবাৰো আহা-যোৱা কৰা নেদেখা. নহয়। আৰু—তুমি যে ল'ৰাটি ভাল—সেই কথা আমাৰ চাকৰ হৰকান্তয়ো আমাক কৈছিল। কিন্তু তাৰ অৰ্থ এয়া নহয় যে—তোমাক মই প্ৰশংসা-

কিৰণ কলিতা

পত্ৰ এখন লিখি দিম, মই তো তোমাৰ— কি বোলেনে—মোমা-খুৰা নহওঁ— ।"

নৰধৰে এটা শব্দও নকৰাকৈ তাৰপৰা পোনেই পালেগৈ সেই এলেকাৰ বৰ কতোৱালৰ ঘৰ। মহীৰাম তেতিয়াও নৰধৰৰ লগতেই আছিল।

কতোৱালে ক'লে, "কিলাগে তোমাক মোৰপৰা প্ৰশংসা-পত্ৰ ? শুনা, মই হ'লোঁ পাহাৰ, আৰু তুমি এটা শিলগুটিও নহয়। মোৰপৰা প্ৰশংসা-পত্ৰ লিখোৱাৰ সাহস তোমাৰ হ'লনো কেনেকৈ ? তোমাৰ সাহস তো কম নহয়। বিৰালী হৈ বাঘৰ গুহাত সোমাইছাহি !" কতোৱালে চকুৰে ইংগিত কৰা মাত্ৰেই প্ৰহৰী এজনে নৰধৰক থাপ মাৰি ধৰিলেহি।

কতোৱালে প্ৰহৰীটোক ক'লে, "ই নিশ্চয় এটা বদমাছ। ইয়াক—"

প্ৰহৰীটোৱে কৈ উঠিল, "এওঁৰ ঘৰ মই চিনি পাওঁ। গাঁৱৰ বাইজে এওঁক অতি ভাল ল'ৰা—সজ ল'ৰা বুলি কয়। বেচাৰা নিবনুৱাহে।"

"আৰুনো কি লাগিছে ? নিবনুৱ,-বিলাকে চুৰি-তাৰি নকৰাকৈ চলি থাকে নো কেনেকৈ ? ইয়াৰ ওপৰত নজৰ ৰাখিবা।" তাৰ পাছত কতোৱালে নৰধৰক ক'লে, "ইয়াৰপৰা এতিয়াই গুচি যোৱা। কোনো সজ-সজ্জন কতোৱালৰ ওচৰলৈ নাহে —আহিব নাপায়।"

বাটত নৰধৰে মহীৰামক ক'লে, নহ'ল ডাঙৰীয়া, নহ'ব। মই এটা দুৰ্ভগীয়া। কোনেও মোক প্ৰশংসা-পত্ৰ নিদিব।"

মহীৰামে হাঁহি মাৰি ক'লে, "তুমি এটা কথালৈ বোধ কৰোঁ মনেই নকৰিলা তোমাক — তিনিওজনেই —প্ৰশংসা-পত্ৰ 'নিদিয়াতেই দিলে'! তিনিও ঠাইতে মই তোমাৰ চৰিত্ৰৰ প্ৰশংসা মোৰ নিজৰ কাণেৰেই ঢেৰ শুনিলোঁ। তুমি আজিৰে-পৰাই কামত ধৰা।"



# অভিশপ্ত পুষ্প

৯

[আগৰ কথা : সমুদ্ৰী-ৰাক্ষসটোক বিভ্ৰান্ত কৰি মাণিক্যপুৰীৰ সীমাৰপৰা খেদিবৰ মনেৰে সাহসী তংখুল উ তুং শতাব্দিকা পুষ্পৰে সৈতে ওলাই ৰজা মাহিনদাকৰ ৰাজ্য পাইছিলহি আৰু ৰজা মাহিনদাকৰে আদেশ কৰা মতে তাত ৰাজকীয় অতিথিগৃহত আছিলহি। হঠাৎ অতিথি গৃহলৈ আহি এজন প্ৰহৰীয়ে উ তুঙক ক'লে, "আমাৰ ৰাজকুঁৱৰীয়ে আপোনাক মাতিছে। আপুনি মোৰে সৈতে এতিয়াই ৰাজপ্ৰাসাদলৈ যাব লাগে। আৰু তাৰ পাছত···]

প্ৰহৰীজনৰ লগত উ তুং ৰাজপ্ৰাসাদলৈ আহিল আৰু এটা বিৰাট কক্ষৰ ভিতৰলৈ সোমাই গ'ল। প্ৰহৰীজনে উ তুঙক সসন্মানে অভিবাদন কৰি তৎক্ষণাৎ ওলাই গ'ল আৰু পাছ মুহূৰ্ততে এখন বিৰাট দুৱাৰ খোল খাই পৰিল আৰু তাত স্বয়ং ৰাজকুঁৱৰীক দেখা গ'ল।

ৰাজকুঁৱৰীয়ে উ তুঙক ক'লে, "তোমাক ফুলখিনি লাগে। নহয়নে বাৰু? পিছে—এটা কথা কোৱাচোন—ইমান ধুনীয়াৰো ধুনীয়া ফুলখিনি অভিশপ্ত হ'ল বা কিয়? আৰু অভিশপ্ত হ'ল কেনেকৈ?"

ৰাজকুঁৱৰীৰ প্ৰশ্ন শুনি উ তুং উচপ খাই উঠা যেন হ'ল। তথাপি নিজক সংযত কৰি লৈ উ তুঙে ৰাজকুঁৱৰীক সুধিলে, "অভিশপ্ত? ফুল অভিশপ্ত হয় কেনেকৈ?"

'নতুন ঘটনাচক্ৰত উ তুং'



"শুনা, আমাৰ পিতাশ্ৰী আৰু তোমাৰ মাজত হোৱা কথা-বাৰ্তাৰ ভালেখিনিয়েই মই আঁৰত থাকি শুনিছিলোঁ। আৰু— পিতাশ্ৰীয়ে এই কথা লৈ আমাৰ মহামন্ত্ৰীৰ সৈতে কথা পাতি থাকোঁতেও—কাণত পৰিছিল কিছু-কিঞ্চিত। গোপন কথা কোনোবা এটাই ৰাক্ষস যে ইমান ফুল-প্ৰেমী হয়—ৰোৰ কল্পনাৰো বাহিৰ।"

উ তুং বৰ বিমোৰত পৰিল। তাৰ ডিঙিত যেনিবা এক অদৃশ্য চেপেনাইহে চেপি ধৰিলে। ৰাজকুঁৱৰীক কয় যদি—কাবুইয়ে-ৰজাই ধৰিব, নকয় যদি—ৰাজকুঁৱৰীয়েও নেৰিব।

উ তুঙে জোৰ কৰি কাঠ-হাঁহি মাৰি ক'লে, "মই কিন্তু ৰাক্ষস নহওঁ—!"

"কৈছোনে মই? কিন্তু—তুমি যে ৰাক্ষস এটাক বিচাৰি ওলাইছা—সেই কথা সঁচা নহয়নে?" ৰাজকুঁৱৰীয়ে সুধিলে।

"কিন্তু মোক মাতিছিল কিয়—সেই কথাটো এতিয়া লৈ কোনক'লে, ৰাজকুঁৱৰী।" উ তুঙে এই প্ৰসংগৰ সামৰণি মাৰিবলৈ চেষ্টা এটা দিলে।

"তুমিও এটা ৰাক্ষসৰ কবলত পৰিছা, আৰু আমিও আন এটা ৰাক্ষসৰ কবলত পৰিছোঁ। তুমি বীৰ, মহাবীৰ। সেইহে ৰাক্ষস বধিবলৈ অকলেই ওলাইছা।—আমাৰ ৰাক্ষসটোৰ কবলপৰা আমাক ৰেহাই দিবলৈ কিছু-কিঞ্চিত সহায় কৰিবানে?" ৰাজকুঁৱৰীয়ে ক'লে।

ৰাজকুঁৱৰী! আপেনালোকৰ কোনো শত্ৰু নাই—এই কথা মই কেইবাবাৰো শুনিছোঁ। কাবুইয়ে বাৰে বাৰে কৈছে যে—নাগপুৰীৰ কোনো শত্ৰু নাই।"

উ তুঙৰ কথাৰ উত্তৰত ৰাজকুঁৱৰীয়ে—ক'লে, "কাবুইয়ে সঠিক কথাকে কৈছিল। নাগপুৰী বাহিৰা-শত্ৰুৰপৰা মুক্ত। কিন্তু শত্ৰু— আমাৰ ঘৰতে —আমাৰ ৰাজ-পৰিয়ালতে আছে।"

উ তুঙৰ দৃষ্টিত জিজ্ঞাসাৰ চিন ফুটি



উঠাত ৰাজকুঁৱৰীয়েই পুনৰ ক'লে, "সেই শত্ৰু—আন কোনো নহয়, মোৰেই মোমাই —নাগসিংহ। নাগসিংহ হ'ল দলাধিপতি। কিন্তু তাৰ মনত সিংহাসনলৈ বৰ লোভ! দেউতাৰ পুত্ৰ নাই—গতিকে—মোকেই তেওঁ সিংহাসনৰ উত্তৰাধিকাৰিণী হিচাপে ঘোষণা কৰাত—মোমাইদেউৰ আপত্তি!"

"হওক আপত্তি।" উ তুঙে দৃঢ়তাৰে ক'লে, "মহাৰাজ যদি প্ৰজা মংগলকাৰী—কোনোৰেই তেওঁৰ সামান্যতম অনিষ্টও কৰিব নোৱাৰে। ৰাইজ যদি সহায়, ৰজাৰ নাই ভয়।" মুহূৰ্তমান বৈ উ তুঙেই পুনৰ ক'লে, "দলাধিপতি নাগসিংহ এতিয়া ইয়াতে আছেনে?"

"পিতাশ্ৰীৰ পৰামৰ্শমতে — আমাৰ সেনাধিপতি দুৰ্জয় মহাদেৱে দলাধিপতি নাগসিংহক কিছুমান সৈন্যৰে সৈতে আমাৰ ৰাজ্যৰ উত্তৰসীমালৈ পঠাইছে সীমান্তৰ সুৰক্ষাৰ বাবে। কিন্তু সেই বুলি নাগসিংহই চুপচাপ লেপেটা কাঢ়ি বহি থাকিব বুলি ভবাৰ কোনো কাৰণ নাই।—আচলতে, এইখিনি কথা ক'বলৈহে মই তোমাক ইয়ালৈ মতাই অনালোঁ। তুমি আমাৰ ইয়াত কিছুদিনলৈ থকা যদি—বৰ ভাল হ'ব। তেতিয়া তুমি নিজে নিজেই সকলো গম পাবা।" ৰাজকুঁৱৰীয়ে ক'লে।

"কিন্তু—" ক্ষন্তেকমান বৈ উ তুঙে ক'লে, মই যিটো কামত ওলাইছোঁ—" আকৌ বৈ দিলে উ তুঙে।

"জানো মই—।" ৰাজকুঁৱৰীয়ে ক'লে, কিন্তু মনত ৰাখিবা। তোমাক মই কোৱা কথাখিনি কাকো—এটা কাউৰীকো ক'ব নালাগে। কিবা নতুন ঘটনা ঘটে যদি—মই তোমাক পুনৰ মতাই অনাম।"

তাৰ পাছত—লৈ অহা প্ৰহৰীজনেই উ তুঙক পুনৰ সেই ৰাজকীয় অতিথিগৃহলৈ থৈ আহিলগৈ।

তাত—অতিথিগৃহত কাবুই আগৰে-পৰাই বৈ আছিল উ তুঙলৈ বাট চাই।

কাবুইয়ে কিবা সুধিবলৈ নৌ পাওঁতেই উ তুঙে কাবুইক ক'লে, "ৰাজকুঁৱৰীয়ে শতাব্দিকা ফুলৰ বিষয়ে খৱচি মাৰিজানিব খুজিছিল। মহাৰাজৰ সৈতে মোৰ যিখিনি কথা হৈছিল, ৰাজকুঁৱৰীয়ে কিছুখিনি শুনিছিল যেন লাগিছে। মই অৱশ্যে— শতাব্দিকা এশ বছৰত এবাৰ ফুলে—এই কথাৰ বাহিৰে আন একোৱেই কোৱা নাই তেওঁক।"

"ভাল কৰিলা।" এই বুলি কৈ কাবুইয়ে উ তুঙক লগত লৈ ৰজা মাহিনদাৰুৰ ওচৰলৈ গ'ল।



ৰজা মাহিনদাৰুৱে উ তুঙলৈ চালে আৰু কাবুইক ক'লে, "নাগসিংহক ৰাজধানীলৈ আহিবলৈ সম্বাদ পঠোৱা হৈছে। দেশৰ উত্তৰসীমাৰপৰা আহোঁতে তিনিদিনমান লাগিব। এই যুৱক অতিথি-গৃহতে থাকক। নাগসিংহ যেতিয়া আহিব, কিছুমান চিপাহীৰে সৈতে—এই যুৱকক তাৰ কামত সহায় কৰিবলৈ নাগসিংহকো পঠাব লাগিব। কাবুই, এই বুলি কৈয়েই ৰজা মাহিনদাৰু ৰাজ-ভৱনলৈ গ'ললৈ। তুমি এতিয়া তোমাৰ বসতিলৈ যাব

পাছদিনা, উ তুং নাগপুৰী-নগৰ পৰিভ্ৰমণলৈ ওলাল। নগৰখন বেছ চাফ-চিকুণ, অট্টালিকাবোৰো বৰ ধুনীয়া, ধুনীয়া নগৰৰ বাট-পথ। উ তুঙে ভাবি আছিল: এনেহেন সুন্দৰ নগৰখনত যদি সিংহাসন অধিকাৰ কৰাৰ বাবে নাগসিংহ নামৰ ষড়যন্ত্ৰীয়ে যুদ্ধ কৰিবলৈ আৰম্ভ কৰে—সুশোভিত এই নগৰখন হয়তো সম্পূৰ্ণ ধ্বংস হৈ যাব।

তৃতীয় দিনা হঠাৎ সেই প্ৰহৰীজন আকৌ অতিথিগৃহলৈ আহিল আৰু উ তুঙক ৰাজকুঁৱৰীৰ ওচৰলৈ লৈ গ'ল, আৰু আগৰ দিনৰ দৰেই উ তুঙক বিৰাট কক্ষ এটাত লৈ আহি যথোচিত অভিবাদন জ্ঞাপন কৰি গুচি গ'ল।

আৰু পাছ মুহূৰ্ততে ৰাজকুঁৱৰীয়ে উ



তুগুক দেখা দিলে আৰু ক'লে, "নাগসিংহ ৰাজধানীলৈ আহিবৰ হ'ল। তুমি যদিও বিৰাট সাহসী বীৰ, তথাপি নাগসিংহহেন মহাদুষ্টৰপৰা সদা-সৰ্বক্ষণেই সাৱধান হৈ থাকিবা। তুমি নিজক মহাৰাজৰ বিশ্বাসী মানুহ হিচাপে যদি নাগসিংহক কৈছা—মৰিছা। তুমি অত্যন্ত চতুৰতাৰে নাগসিংহৰ পৰিকল্পনাবোৰ জানি ল'বলৈ চেষ্টা কৰি থাকিলেহে হ'ব। এতিয়া তুমি যাব পাৰা।" এই বুলিকৈ, ৰাজকুঁৱৰী প্ৰকাণ্ড কোঠাটোৰ ভিতৰলৈ সোমাই গ'লগৈ।

ঠিক সেই দিনাই ৰাজ্যৰ উত্তৰসীমাৰ ভূখণ্ডৰপৰা দলাধিপতি নাগসিংহ সসৈন্যে ৰাজধানীলৈ উলটিল।

দলাধিপতি নাগসিংহই সেনাধিপতি দুৰ্জয়মহাদেৱক প্ৰণাম কৰিলে আৰু সুধিলে "হঠাৎ মোক তাৰপৰা মতাই পঠালে কিয় মই সুধি পাৰোঁনে, সেনাধিপতি?"

দুৰ্জয়মহাদেৱে ক'লে "মাণিক্যপুৰীৰপৰা উ তুং নামৰ এজন যুৱকৰ সৈতে তুমি কিছুমান চিপাহীলৈ ওলাব লাগিব—সেই যুৱকক সহায় কৰিবলৈ।"

"সেই যুৱক কোন—মই নাজানো, বা জনাৰ বৰ বেছি আৱশ্যকতাও দেখা নাই। কিন্তু—যিজনে মাণিক্যপুৰীৰপৰা আহিব পাৰিছে—সেইজনক মইনো কি সহায় কৰিম?" ব্যংগমিশ্ৰিত কণ্ঠেৰে নাগসিংহই সেনাধিপতিক ক'লে।

"কথাটো—হয়তো তুমি ঠিকেই কৈছা। সেই যুৱকেও আমাৰপৰা সহায়তাৰ আশাৰে মাণিক্যপুৰীৰপৰা অহা নাছিল। কিন্তু—কিবা এটা সমুদ্ৰী-ৰাক্ষসক পোনাবলৈহে—যদিও সেই যুৱকে বিচৰা নাই—আমিয়েই তাক সহায় কৰাৰ প্ৰস্তাৱ দিছোঁ। যুৱকৰ ধৈৰ্য্য, সাহস, দৃঢ় প্ৰতিজ্ঞা আদিৰ কথা শুনি আমাৰ মহাৰাজে উপযাচিয়েই তাক সহায় কৰাৰ কথা ক'লে। দৰাচলতে এয়া মহাৰাজৰ আদেশ।" সেনাধিপতি দুৰ্জয়ে ক'লে।

নাগসিংহই অলপ পৰলৈ মনে মনে থকাৰ পাছত কৈ উঠিল "মাননীয় সেনাধিপতি, মাণিক্যপুৰীৰ পৰ্বতীয়া যুৱক এটাই সমুদ্ৰী-ৰাক্ষস এটাক বিচাৰি ওলাল বুলি কেনেকৈনো আপুনি বিশ্বাস কৰিলে ?"

"কেলেই নো বিশ্বাস নকৰিম ?" সেনাধিপতিয়ে ক'লে, "পৰ্বতীয়া হ'ল বুলিয়েই যে একো নজনা—হোজা এটা—কেলেই নো ভাবিম ? আৰু—আমাৰ কাম হ'ল বিনা প্ৰশ্নে মহাৰাজৰ আদেশ পালন—এই কথা মনত ৰাখিবা ।"

"আপোনাৰ আদেশ শিৰোধাৰ্য্য, মাননীয় সেনাধিপতি ! এতিয়া কওক, সেই যুৱকৰ লৈতে মোৰ সাক্ষাৎ—ক'ত আৰু কেতিয়া হ'ব ।" দলাধিপতি নাগসিংহই ক'লে ।

"কালিলৈ । কালিলৈ— ঠিক এই সময়ত ইয়ালৈ আহিবা । আৰু এতিয়া তুমি যাব পাৰা ।" সেনাধিপতিয়ে আদেশৰ সুৰেৰে ক'লে ।

নাগসিংহ প্ৰায় উচাট মাৰি ঘোৰাদি তাৰপৰা চুপচুপাই গুচি গ'ল ।

পাছদিনা ৰজা মাহিনদাকুৱে সেনাধিপতিক তলব কৰিলে । তলব পায়েই সেনাধিপতিয়ে ৰাজভৱন পালেহি । তাত

তেতিয়া ৰাজকুঁৱৰীয়ে কান্দি আছিল, আৰু মহাৰাজ মাহিনদাকুৱে গম্ভীৰভাৱে বহি আছিল ।

সেনাধিপতিয়ে ততোতৈয়াকৈ সুধিলে, "কথা কি—মহাৰাজ ?"

মহাৰাজ মাহিনদাকুৱে গহীন মাতেৰে ক'লে, "ৰাজকুঁৱৰীৰ কক্ষৰপৰা শতাব্দিকা পুষ্পখিনি — নোহোৱা হ'ল । আমাৰ অন্তঃপুৰলৈ সোমোৱাৰ সাহস কাৰ—বা কোনইতৰ হ'ল, বিচাৰি উলিয়াব লাগে । ৰাজপ্ৰাসাদৰ খা-খবৰ ভালকৈ জনাবোৰেই নিশ্চয় এই কাম কৰিলে । কিয়নো — সমুদ্ৰী-ৰাক্ষস আমাৰ এই

ৰাজভৰনলৈকো আহিব বুলি ভবাৰ কোনো অৰ্থ নাই।"

মহাৰাজ মাহিনদাৰুৰ কথা সেনাধিপতিয়েও সমৰ্থন কৰিলে।

ৰাজকুঁৱাৰীয়ে কৈ উঠিল, "সমুদ্ৰী-ৰাক্ষস! আমাৰ—অন্তঃপুৰত? বুজা নাই একো একো ধৰিব পৰা নাই!"

মহাৰাজ মাহিনদাৰুৱে জীয়েকক ক'লে, "এই কথাত দমি নাযাবা, ভয় নকৰিবা, আই মোৰ! এইবোৰ কথা তোমাক মই পাছত ভাঙি পাতি ক'ম।"

তাৰ পাছত মহাৰাজ মাহিনদাৰুৱে সেনাধিপতিলৈ চাই ক'লে, "এতিয়া—শতাব্দিকা পুষ্পখিনি যেনেকৈয়েই নহওক —বিচাৰি উলিয়াব লাগিব।"

"মই এই কামত এই মুহূৰ্তৰেপৰাই দেহ-কেহে লাগিম।" ক্ষন্তেকমান ভাবি লৈ সেনাধিপতিয়ে পুনৰ ক'লে, "ফুলখিনি য'তেই নাথাকক—সুগন্ধ-সুবাস বিলাবই। গতিকে—ফুল চোৰ ক'লৈনো পলাব? আৰু—কালি আমাৰ ৰাজভৱনলৈ কোন কোন আহিছিল, তাৰো খা-খবৰ ল'ম।

দুৰ্জয়মহাদেৰ আকৌ এখন্তেক ৰ'ল, আৰু তাৰ পাছত তেওঁ পুনৰ ক'লে, "মহাৰাজ! আমাৰ নাগসিংহ কালি আহি পালেহি। উ তুঙৰ সৈতে নাগসিংহই যে ওলাব লাগিব, কোৱা হৈছে তাক।"

"নাগসিংহ আহিল?"

মহাৰাজ মাহিনদাৰুৱে বৈ দিলে আৰু পুনৰ ক'লে, "নাগসিংহও আহিল, আৰু এই বিচিত্ৰ ঘটনাও ঘটিল। —ঠিক আছে, সেনাধিপতি আপুনি শতাব্দিকা পুষ্পখিনি বিচাৰি উলিউৱাৰ বন্দবস্ত কৰক। পাছত নিৰ্ণয় কৰা যাব যে—সাহসী যুৱক উ তুং কেতিয়া ওলাব।"

সেনাধিপতি দুৰ্জয়মহাদেৰে মহাৰাজক যথোচিতভাবে অভিবাদন কৰিলে আৰু ওলাই যাবলৈ খোজ ল'লে। [আগলৈ



# মামৰ

অদম্য ৰজা বিক্ৰমাদিত্য পুনৰ ঘূৰি গ'ল সেই মহাকালৰ সাক্ষী মহাকায় বৃক্ষজোপাৰ ওচৰলৈ। বৃক্ষৰ ডালৰপৰা সেই মৃতদেহটো পুনৰ নমাই আনি, কান্ধত পেলাই লৈ, সেই ভূত-প্ৰেতৰ নিবাসস্থল শ্মশানলৈ বুলি ঘোৰ এন্ধাৰৰ মাজেদি গৈ থাকিল। তেতিয় মৃতদেহটো হঠাৎ লৰ-চৰ কৰি উঠিল আৰু মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল: "হে ৰজা, তুমি কিয় যুগ যুগ ধৰি প্ৰতিজ্ঞাত সিদ্ধান্তত অটল-অদম্য হৈ আছা, আৰু কিয় যে এনে অভাৱনীয় কষ্ট সহ্য কৰিছা. ভাবি উলিয়াব পৰা নাই: কোনো দিন যদি তুমি তোমাৰ আৰব্ধ লক্ষ্য ঢুকি পোৱা, তথাপি যে তোমাৰ অৱস্থা অনংগদেশৰ ৰাজকুঁৱৰীৰ দৰে নহ'বই, তাক ন-দি ক'ব নোৱাৰি।" বেতালে অনংগদেশৰ ৰাজকুঁৱৰীৰ সেই কাহিনী ৰজাক কৈ থাকিল:

## 'বেতাল-কথা'

অনংগদেশৰ এক পাৰ্বত্যাঞ্চলত তিনিজন ক্ষত্ৰিয় যুৱক আছিল। এই তিনিজন নাম আছিল যথাক্ৰমে—জয়, বিজয় আৰু অজয়। তিনিও একেবাৰে নলে-গলে লগা। য'লৈকে যায়—তিনিও যায়, যি খায়—তিনিও ভগাই খায়।

এদিন সিহঁত গ'ল পাহাৰৰ ওপৰত থকা শিৱ-মন্দিৰলৈ। তাত কথাই কথাই জয়ে 'অজয়-বিজয়ক ক'লে, "শুনা, আমাৰ কাম নাই-বন নাই, মা-দেউতাই কাম-বন কৰিবলৈকো নকয় আমাক। আমি সময়মতে খোৱা-বোৱা কৰোঁ, বছ, আন হিৰীণ কুটাও তিৰীণ কৰাত আমি নাই। কিন্তু—এইদৰে জীৱন কটোৱাটো বৰ ভাল কথানে ?"

বিজয়ে ক'লে, "হওঁতে ঠিকেই কৈছা। আমাক লিখা-পঢ়া শিকোৱা হৈছে, আমাৰ বল-শক্তিও আছে। কিন্তু আমাৰদ্বাৰা সমাজৰ কোনো কামেই হোৱা নাই।"

"নিকট ভৱিষ্যতত আমি নিশ্চয় বিয়া-বাৰুও কৰাম, আৰু তেতিয়া—এইদৰে টাং গুটি বাই ফুৰাৰপৰাও নিশ্চয় বঞ্চিত হ'ম। গতিকে — তেনেবোৰ অৱস্থাত পৰাৰ আগতেই আমাৰ নিজৰ ভালৰ বাবেই—কিবা নহয় কিবা মহত্বপূৰ্ণ কাম কৰা উচিত।" অজয়ে গহীন মাতৰে ক'লে।

শিৱ-মন্দিৰৰ পূজাৰীয়ে এই বন্ধু তিনিজনৰ গোটেইখিনি কথা শুনিলে আৰু মিচিকীয়াই হাঁহি মাৰি ক'লে, "তোমালোকৰ মনোভাব অত্যন্ত প্ৰশংসনীয়। যি তৰোৱাল ব্যৱহাৰ কৰা নহয়, আৰু যি বুদ্ধিৰ প্ৰয়োগ কৰা নহয় —মামৰে ধৰি নষ্ট কৰি পেলায়। এতিয়া —বাকী থাকিল মহত্বপূৰ্ণ কামৰ কথা। নিঃস্বাৰ্থ হৈ আনৰ কাৰণে কৰা প্ৰতিটি কাৰ্য্যয়েই — মহত্বপূৰ্ণ। এয়া ধৰা এই ঠাইৰ কথাকে কওঁ, এটা বাঘে এই অঞ্চলৰ বসতিত অত্যন্ত অত্যাচাৰ কৰি ফুৰিছে। বাঘটোৱে ছাগলী দামুৰি আৰু

আনকি অন্যান্য সৰুস্নৰা প্ৰাণীবিলাকক ধৰি-মাৰি খাই আছে, আৰু বসতিৰ মানুহখিনিৰো হৃৎকম্প উপস্থিত হৈছে। যদি তোমালোকৰ সাহস-শক্তি আছে, তেনেহ'লে বাঘটোক মাৰি এই অঞ্চলৰ ৰাইজৰ মংগল কৰা।"

"বাঘ এটা—আমাৰ বাঁওহাতৰ কেঞা আঙুলিৰ খেল। বাঘ এটা মাৰোঁতেনো কি সাহস-শক্তি লাগিছে? আমি লাগিলে ডাঙৰ ডাঙৰ ৰাক্ষসকো বধিব পাৰোঁ।"

আৰু পাছদিনা—বাঘটোক মাৰিবলৈ সিহঁত তিনিও জংগললৈ গ'ল। কিন্তু—বহুতোপৰলৈকে বিচাৰিও তাত বাঘৰ, অনকি এটা সৰু ঘোঙৰো চিন-মোকাম নাপালে। কিন্তু জংগলৰ কোনোবা এঠাইৰপৰা হঠাৎ এক আৰ্তনাদ উঠিল।

তিনিও লগে লগে সেই আৰ্তনাদলৈ লক্ষ্য কৰি দৌৰি দৌৰি গৈ থাকিল। সিহঁতে ভাবি আছিল যে—এইবাৰ বাঘে ছাগলীক নহয়, মানুহকহে ধৰিলে।

গৈ গৈ তিনিও এটা গুহাৰ কাষ পাই বৈ দিলে। কিন্তু তাত কোনো মানুহ বা বাঘৰ দেখা নাপালে, তাত দেখা পালে—এটা প্ৰকাণ্ড সাপ। সিহঁতে তৰোৱালেৰে সাপটোক খণ্ড-বিখণ্ড কৰিলে।

তাৰ পাছত—তিনিও গুহাৰ ভিতৰলৈ সোমাল। গুহাৰ ভিতৰত সিহঁতে আদ-বয়সীয়া সাধু এজনক দেখা পালে। সাধুজন

তেতিয়া জীৱন-মৰণৰ মাজত।

মৰণোন্মুখ সাধুৱে জয়-বিজয়-অজয়ক ক'লে, "লোভৰ বশৱৰ্তী হৈ মই হিমালয়ৰপৰা ইয়ালৈ আহি এইদৰে মৃত্যুমুখত পৰিলোঁ। যদিও সাধু, তথাপি মোৰ মনত এতিয়াও পাৰ্থিব সুখৰ আকাংক্ষাৰ জুই নিৰ্বাপিত হোৱা নাছিল বুলিহে—মই মোৰ গুৰুৰপৰা তিনিটা মহিমায়ান আঙঠি চুৰ কৰি আনিছিলোঁ আত্মসুখৰ বাবে। কিন্তু ইয়াত—কাল-সৰ্পই মোক খুটিলে। তোমালোক আহিলা যে—ভালেই কৰিলা। হয়তো ঈশ্বৰেই তোমালোকক এই সময়ত ইয়ালৈ পঠালে। মৰাৰ আগতে তোমালোকক এই মন্ত্ৰঃপূত আঙঠি তিনিটা যে দি থৈ যাব পাৰিম—তাতেই মোৰ আত্মা তৃপ্ত হ'ব।" এই বুলি কৈ সেহাই থকা সাধুৱে তেওঁৰ চুৰিয়াৰ খোঁচোনাৰপৰা আঙঠি তিনিটা উলিয়াই ল'লে আৰু পুনৰ ক'লে, "এই যে টিকটিকীয়া ৰঙা মণি থকা আঙঠিটো — এইটোৰ সহায়েৰে অনুকূল সময়ৰ ভেদ পোৱা যাব। আৰু—এই সেউজবুলীয়া মণি থকা আঙঠিটোৰে সেই কাৰ্য্যই কিমানখিনিলৈকে সফল হ'ব —সেই কথা জনা যাব। আৰু এই নীলা-বৰণীয়া মণি থকা আঙঠি আঙুলিত পিন্ধিলে জগতৰ যেইকোন অসাধ্য যেন লগা কাৰ্য্যও সাধ্যায়ত্ত হ'ব। তোমালোক তিনিজন, আঙঠিও তিনিটা। যাৰ যেনে মন যায়—এটা এটাকৈ লোৱা।" এই বুলি কোৱাৰ অন্তত সাধুৰ মৃত্যু হ'ল।

ৰাতিৰ পৰতে, সিহঁতে নিজেৰ মাজত আলোচনা কৰি স্থিৰ কৰিলে যে—এই মন্ত্ৰঃপূত অপাৰ শক্তিশালী আঙঠি তিনিটা দেশৰ ৰজাক দিয়াটোহে ভাল হ'ব। ৰজাই এই আঙঠি তিনিটাৰে দেশৰ ৰাইজৰ মংগল সাধিব পাৰিব।—সিহঁত ৰাজধানীলৈ বুলি ৰাওনা হ'ল।

ৰাজধানী পাই দেশৰ ৰজাৰ কাষ চাপিল

সিহঁতে। প্ৰথমেই জয়ে ৰঙা-বৰণৰ আঙঠিটো ৰজাৰ হাতত দিলে আৰু ক'লে, "মহাৰাজ, এই আঙঠিটো আঙুলিত পিন্ধি থাকিলে—কিবা সৎকাৰ্য্য কৰাৰ অনুকূল সময়ৰ জ্ঞান পোৱা যাব। আমাৰ নিচিনা টোকোনাই কিনো সৎকাৰ্য্য কৰিম? সেইহে—আঙঠিটো আপোনাক দিলোঁ। যোগ্য হাতত এনে শক্তিমন্ত আঙঠিটো দিব পৰাত মই স্বস্তি লভিছোঁ, আনন্দিত হৈছোঁ। মহাৰাজ!"

তাৰ পাছত বিজয়ে ক'লে, "মহাৰাজ! মই যিটো আঙঠি আপোনাক দিম, তাৰে আপুনি—কেনেকৈ কাৰ্য্য সাধিব—তাৰ উপায় জ্ঞাত হ'ব।" বিজয়ে তাৰ সেউজীয়া বৰণৰ আঙঠিটো মহাৰাজক দিলে।

তাৰ পাছত দিলে অজয়ে—তাৰ নীলা বৰণীয়া আঙঠি। অজয়ে মহাৰাজক ক'লে, "মহাৰাজ! এই অত্যদ্ভুত আঙঠিৰে আপুনি সৰ্বপ্ৰকাৰৰ অসাধ্য যেন লগা কাৰ্য্যও হেলাৰঙে সাধিব পাৰিব, এই অসাধ্য কাৰ্য্য কৰাৰ আঙঠিয়ে আপোনাক শক্তি-সামৰ্থ্য দিব।"

মহাৰাজে তিনি ও বন্ধুক ৰাজকীয় অতিথি ৰূপে ৰাজধানীত থকাৰ বন্দবস্ত কৰি দিলে।

মহাৰাজৰ একমাত্ৰ পুত্ৰীৰ নাম অৱন্তী। অৱন্তীক পাত্ৰস্থ কৰাৰ বাবে মহাৰাজ-মহাৰাণী যথেষ্ট চিন্তিত হৈ উঠিছিল,





“আই, এই তিনিও যুৱক বুদ্ধিমান আৰু সাহসী। মহিমান্বিত আঙঠি তিনিটা সিহঁতে নিজৰ ওচৰত নাৰাখি ৰাইজৰ হিতাৰ্থে মোৰ হাতত দিলে। এই তিনিওজনেই বিবাহযোগ্য। এওঁলোকক আঙঠিবিলাক ওভোতাই দিয়াটোহে কিজানি ভাল হ'ব। পিছে—তোমাৰ বিবাহৰ কাৰণে এই তিনিজনৰ মাজৰপৰা এজনক বাছি ল'লে মই ভালপান, মোৰ মন শান্ত হ'ব।”

“কিন্তু—তেওঁলোক মান্তি হ'বনে নাই—সেই কথাটোও জনা আৱশ্যক।” অৰন্তীয়ে মহাৰাক ক'লে।

তেও ভাল। মহাৰাজে এই কথা ভাবি স্বস্তি পালে যে তাই অৰন্তীয়ে এইবাৰ তেও বিবাহৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰা নাই। তেওঁ বৰ আশাৰে জীয়েকক সুধিলে, “আগতে তোমাৰ মত, পাছতহে সিহঁতৰ—সেই তিনিজনৰ মাজত কাকনো তুমি গ্ৰাহ্য কৰিবা?”

“জয়ক।”

অৰন্তীয়ে সংক্ষিপ্তভাবে ক'লে।

মহাৰাজেও তেওঁৰ পুত্ৰীক আন কোনো বিধৰ প্ৰশ্ন নকৰিলে।

কেইদিনমানৰ পাছত জয়ৰ সৈতেই অৰন্তীক পাত্ৰস্থ কৰা হ'ল আৰু জয়ক অনংগদেশৰ ৰজা পাতি ভায়েক বিজয়ক

কিয়নো, ৰাজকুমাৰী অৰন্তীয়ে কোনো দেশৰ কোনো ৰাজপুত্ৰকে বিবাহযোগ্য বুলি গণ্য কৰা নাছিল। ইপিনে—অপুত্ৰক মহাৰাজে তেওঁৰ জোঁৱায়েকক ৰাজ্যৰ ভৱিষৎ উত্তৰাধিকাৰী হিচাপে ঘোষণা কৰিবলৈ উদ্বাউল হৈ উঠিছিল। কিন্তু তেওঁলোকৰ এই ইচ্ছাত জীয়েক অৰন্তীয়ে চেঁচাপানী ঢালি আছিল।

আজি, মহাৰাজে তেওঁৰ পুত্ৰীৰ কক্ষলৈ গৈ, মহিমা থকা আঙঠি তিনিটাৰ বিষয়ে, আৰু সেই বন্ধু তিনিজন—জয়-বিজয়-অজয়ৰ সম্পৰ্কেও ভাঙি-পাতি ক'লে।

মহাৰাজে তেওঁৰ পুত্ৰী-অৰন্তীক ক'লে,

মহামন্ত্ৰী আৰু অজয়ক সেনাধিপতিৰ বাব দিয়া হ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! ৰাজকুমাৰীয়ে যে জয়ক পতিৰূপে ল'লে —সেই সিদ্ধান্তক অবিবেকী সিদ্ধান্ত বুলি ক'ব নোৱাৰিনে? ইমান দিন ধৰি তাই বিবাহৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰি কৰি শেহান্তৰত জয়ক বিবাহ কৰাৰ সিদ্ধান্তৰ আঁৰত কি আছিল? ৰাজপুত্ৰসকলৰ বিবাহৰ কথাত অৰন্তীৰ বক্তব্য আছিল এয়ে যে—ৰাজপুত্ৰহঁতে তাইক নহয়, অপুত্ৰক ৰজাৰ ৰাজত্বক ভালপাইহে তাইক বিয়া কৰাবলৈ আগ্ৰহী হৈছিল। কিন্তু— জয়ৰ মনতো যে সেই ইচ্ছা নাছিল, তাৰ সঠিক প্ৰমাণ কি? মোৰ এই প্ৰশ্নৰ উত্তৰ যদি জানিও সঠিককৈ নিদিয়া, তেনেহ'লে এই কথাটো সঠিককৈ জানি থোৱা, তোমাৰ মূৰ চাৰিফাল হৈ ফাটি যাব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "দৰাচলতে—জয়, বিজয় আৰু অজয় আছিল নিৰ্লোভ নিঃস্বাৰ্থী। কিয়নো—আঙঠিবিলাক দেশৰ ৰজাক দিয়াৰ সিদ্ধান্ত লোৱাৰ সময়ত ৰাজ-কুমাৰীক বিয়া কৰালে অনংগদেশৰ সিংহাসন পোৱাৰ কথা — সিহঁতৰ কল্পনায়ো ঢুকি পোৱা নাছিল। আৰু— জয়, বিজয় বা অজয় আছিল দৰাচেলতে অতি সাধাৰণ স্তৰৰ মানুহ। এনেবোৰ মানুহৰ লোভ যে ৰাজকুমাৰীত বা ৰজা হোৱাৰ বাবে কোনোবা ৰাজ্যৰ সিংহাসনত থাকিব নোৱাৰে —ৰাজকুমাৰী অৰন্তীয়ে তেওঁৰ সাধাৰণ বুদ্ধিৰেই সেই কথা সহজেই উপলব্ধি কৰিছিল।"

ৰজা বিক্ৰমাদিত্যৰপৰা এই সদুত্তৰ শুনিয়েই বেতাল বিজুলীগতিৰে পুনৰ সেই গছজোপাৰলৈ উভতি গ'ল আৰু গছৰ ডালত পুনৰ ওলমি থাকিল। [কল্পিত

# কথা-শুনা-কুকুৰ

হেলাপুৰীৰ হাটত এজন মানুহে কুকুৰ এটা বেচিবলৈ লৈ আহিল। মানুহজনে কৈ আছিল: "এই কুকুৰক যি ক'ব—শুনিব, যি বুলিব—মানিব। যি কাম কৰিবলৈ ক'ব, হওক সহজ হওক টান—তৎক্ষণাৎ কৰি দিব সেই কাম।"

তেতিয়া এজনে সেই কুকুৰৱলাক সুধিলে, "হেৰা, তোমাৰ কুকুৰটো যদি ইমানেই ভাল—বেচিছানো কেলেই ?"

কুকুৰবেচা মানুহজনে ক'লে, "আৰে ভাই—কথা হ'ল কি—কালি ৰাতি আমাৰ ঘৰত চোৰ সোমাইছিল। চোৰবিলাকে কুকুৰটোক চুপ হৈ থাকিবলৈ কোৱাত সি চুপ হৈ থাকিল। চোৰবিলাকে মোক আৰু মোৰ পৰিবাৰকো ঘৰৰ থামৰ লগত ৰছীৰে কটকটীয়াকৈ বান্ধি মুখত মাতিব নোৱাৰাকৈ ফটা কানি ভৰাই দিলে আৰু কুকুৰটোক ক'ত কি আছে দেখুৱাই দিবলৈ ক'লে। আৰু এই কুকুৰই কৰিলে কি—হাৰিকেন-লম্প মুখত লৈ চোৰবিলাকক আমাৰ ধন-সোণ থকা ঠাইবিলাকক একে একে দেখুৱাই দিলে আৰু কিনো কওঁ ডাঙৰীয়াসকল—সেই দগধা চোৰবিলাকে—হে ডাঙৰীয়াসকল—আমাৰ সকলো উদি কৰিলে !"

শুনি সকলোটিয়ে একেলগে হো-হো হে-হেকৈ হাঁহি উঠিল।



# চান্দমামা ক্ৰোড়পত্ৰ-৬২

ভাৰতৰ পশু-পক্ষী ঃ

## শিল্পী ভালুক

আমাৰ দেশত বিভিন্ন ধৰণৰ ভালুক পোৱা যায়। এবিধ ভালুকৰ বুকুত V আখৰটো দেখা যায়। ইবিধ ভালুক শিলাময় পাহাৰ আৰু জংগলত পৰিলক্ষিত হয়। এনেবোৰ ভালুকক অতি সহজেই ধৰা পেলাব পাৰি আৰু প্ৰশিক্ষিতও কৰিব পাৰি। খেলা দেখুৱাবলৈ নাচনিয়াৰ ভালুক আমাৰ ঘৰৰ দুৱাৰমুখলৈ লৈ অহা এক সাধাৰণ দৃশ্য। ভাৰতৰ ছাৰ্কাছত ভালুকৰ খেলা এক আকৰ্ষণীয় খেলা। ভালুকৰ গাত ইমান দীঘল দীঘল নোম থকা সত্বেও ইহঁতে জ্বলি থকা জুইৰ ঘূৰণীয়া রিঙৰ মাজেদি হেলাৰঙে জঁাপ মাৰি পাৰ হৈ যায়। কিন্তু গাৰ দীঘল দীঘল লোমবোৰৰ এডালিও নোপোৰে!

ইবিধ ভালুকৰ সাধাৰণ দৈৰ্ঘ্য ২৫০ ছেনটি-মিটাৰ। এইবিধ ভালুকে মানুহৰ দৰে থিয় দিব পাৰে। যেতিয়া থিয় দিয়ে—৬৫-ৰপৰা ৮৫ ছেনটিমিটাৰলৈকে ওখ হয়। এই বিলাকৰ ভৰিৰ পতাৰ চিন হুবহু মানুহৰ দৰেৰ। এইবোৰ ভালুক মটীয়া বগা আৰু ক'লা ধৰণৰ হয়।

দিনে-:পাহৰে এইবিধ ভালুক শিলৰ আঁৰত, গুহাত আত্মগোপন কৰি থাকি ভাল পায় আৰু দিনতে টোপনিয়ায়। ৰাতিৰ পৰতে মৌ বিচাৰি ওলায়। মৌ পি-খাবলৈ এইবোৰে গছৰ মূধতো বগাই উঠে। হাবিয়াল মানুহবিলাকে এইবিধ ভালুকক মৌ খাই মতলীয়া হৈ টলংভটং কৰি থকা দেখা পায়।

ইবিধ ভালুকৰ দৃষ্টিশক্তি আৰু শ্ৰৱণশক্তিও সাধাৰণতঃ অতি ক্ষীণ। কিন্তু ইহঁতৰ ঘ্ৰাণশক্তি অতি প্ৰখৰ। কেৱল ঘ্ৰাণশক্তিৰেই ইহঁতে আগন্তুক বিপদৰ উপলব্ধি কৰিব পাৰে।

হিমালয়ৰ অতি সুন্দৰ তথা সতেজ কপিলা-ভালুক আৰু ক'লা-ভালুক বিলাকেকো নিৰ্দ্বিধাই শিল্পী-ভালুক বুলি ক'ব পাৰি।

## ভাৰতৰ আধুনিক চিত্ৰশিল্প

# নন্দলাল বসু

আধুনিক ভাৰতৰ চিত্ৰশিল্পৰ কথা ক'লেই নন্দলাল বসুৰ নাম সৰ্বপ্ৰথমে মনত পৰে। নন্দলাল বসু আছিল এগৰাকী প্ৰকৃত মৌলিক চিত্ৰশিল্পী তথা শিক্ষাগুৰু। তেওঁৰ শিক্ষাৰ আলোকত আমাৰ অসংখ্য প্ৰতিভাৱান চিত্ৰশিল্পী আলোকিত।



নন্দলাল বসু বিগত শতিকাৰ আশীৰ দশকত জন্মগ্ৰহণ কৰিছিল আৰু তেওঁ অৱনীন্দ্ৰনাথ ঠাকুৰৰপৰা প্ৰশিক্ষণ লাভ কৰিছিল। অৱনীন্দ্ৰনাথে নন্দলালৰ মাজত তেওঁৰ বাঞ্ছিত শিষ্যক বিচাৰি পাইছিল।

তেতিয়া ৰবীন্দ্ৰনাথে প্ৰকৃতিৰ মাজত বহি বিদ্যাৰ্জনৰ এক অভিনৱ পৰিকল্পনাৰ সপোন সফল কৰিবলৈ প্ৰচেষ্টা আৰম্ভ কৰিছিল। সেই প্ৰাকৃতিক স্বপ্ন স্থান আছিল—শান্তিনিকেতন। ১৯১৪ চনত নন্দলালে শান্তিনিকেতনত যোগদান কৰি কলাভৱনৰ দায়িত্ব গ্ৰহণ কৰিলে আৰু তেওঁ নিজক এই ভৱনৰ উন্নতিৰ বাবে উৎসৰ্গ কায়মনোবাক্যে কৰিলে।

চিত্রশিল্পৰ ছাত্রসকল নন্দলালৰ শিল্পশৈলীৰ দ্বাৰা বিপুলভাৱে অনুপ্ৰাণিত হ'ল। নন্দলালে চিত্রশিল্পী এজনৰ বাবে তিনিটা বিশেষ আদৰ্শৰ কথা ক'লে: চিত্রশিল্পীয়ে প্ৰকৃত প্ৰকৃতিপ্ৰেমী হ'ব লাগিব, নিজৰ ঐতিহ্য সম্পৰ্কে সচেতন হ'ব লাগিব, আৰু দূৰদৃষ্টি সম্পন্ন হ'ব লাগিব।

নন্দলালৰ মাজতো আমি উক্ত ত্ৰিবিধ আদৰ্শক দেখা পাওঁ। প্ৰকৃতিৰ দৃশ্যাৱলী-সমন্বিত চিত্ৰাৱলীত—বৃক্ষৰাজি, পুষ্পৰাজি, পশু-পক্ষী আদিক তেওঁ যে কিমান দক্ষতাৰে ব্যৱহাৰ কৰিছে সেই কথা ভাষাৰে বৰ্ণাব নোৱাৰি, সেই দক্ষতাক কেৱল চকুৰে চাই উপলব্ধিহে কৰিব পাৰি।

তেওঁ ভাৰতৰ ঐতিহ্যময়তাৰ জ্ঞান বিশেষভাৱে আহৰণ কৰিছিল আৰু তেওঁৰ চিত্ৰৰাজিত বহুলভাৱে সেই ঐতিহ্যময়তাৰ ব্যৱহাৰ কৰিছিল।

চিত্রশিল্পক তেওঁ কদাপি জীৱিকাৰ মাধ্যম হিচাপে লোৱা নাছিল, ভাবিছিল যোগ-সাধনা বুলি। সেইহে তেওঁৰ অংকিত চিত্ৰাৱলীত তেওঁৰ নিজস্ব বিশ্বাসযুক্ত চিন্তাধাৰা প্ৰতিফলিত তথা পৰিস্ফুট হৈছিল।

১৯৬৬ চনত লোকান্তৰিত হোৱাৰ আগলৈকে তেওঁ অসংখ্য পুৰস্কাৰ তথা সম্মানলাভ কৰিছিল। কিন্তু এইবোৰৰ প্ৰতি তেওঁ আছিল সম্পূৰ্ণ উদাসীন। তেওঁ আমৃত্যু আছিল চিত্রশিল্পৰ প্ৰতি একনিষ্ঠ।

আধুনিক ভাৰতৰ মহৎ চিত্রশিল্পীসকলৰ ওপৰত নন্দলালৰ বিপুল তথা অসাধাৰণ প্ৰভাৱ অনস্বীকাৰ্য্য।

# জানো নে ?

১. উটাকামণ্ড পৰ্বতৰ ৰাণী বুলি অভিহিত। উটাকামণ্ডৰ বৰ্তমান কি ?
২. ইংৰাজিত প্ৰথম শিশু-নাটকৰ নাম আৰু লেখকৰ নাম কি ?
৩. কৰ্ণাটক এক বিশেষ ধাতৱ পদাৰ্থৰ বাবে বিখ্যাত। কি ?
৪. স্যাৰ ৰ'জাৰ ব্যানিস্টাৰক এগৰাকী অ্যাথলিট বা ব্যায়ামবিদ হিচাপে সোঁৱৰা হয়। কি ব্যায়ামৰ কাৰণে ?
৫. 'চাৰ মিনাৰ' দেখাৰ বাবে ক'লৈ যাব লাগে ?
৬. এদিস্তা কাগজত কেইখিলা ? কেই দিস্তাৰে এক ৰিম ?
৭. দুই গৰাকী ভাৰতীয় নেতাই লণ্ডনত অনুষ্ঠিত ঘূৰণীয়া মেজমেলত ভাগ লৈছিল। কোন কোন ?
৮. বীজাণুৰ বেমাৰ হোৱাৰ কথা কোনে আৱিষ্কাৰ কৰিছিল ?
৯. ভাৰতত নিৰ্মিত সৰ্বপ্ৰথম ক্ষেপণাস্ত্ৰৰ নাম কি ?
১০. ভাৰতৰ আৰ্থিক বছৰৰ আৰম্ভ ১ এপ্ৰিল। বৃটেইনত ?
১১. জনপ্ৰিয় টি ভি ছিৰিয়্যাল 'মালগুড়িৰ দিনবোৰ'ৰ গ্ৰন্থকৰ্তাৰ নাম কি ?
১২. 'কিউই' নামৰ চৰাই কোনখন দেশত পৰিলক্ষিত ?
১৩. 'ময়ূৰ সিংহাসন' কাৰ কাৰণে সজা হৈছিল ?
১৪. চাৰিটি মৌলিক স্বাধীনতা কি কি ?
১৫. ১৮৮৫ চনত বম্বেত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম অধিবেশনৰ সভাপতি কোন আছিল ?

## উ ত্ত ৰ

১. উদাগামণ্ডলম্।
২. ১৯০৪ চনত স্যাৰ জে'মছ ব্যাৰি লিখিত 'পিটাৰ প্যান'।
৩. 'বিক্ৰিওয়্যাৰ' নামৰ ধাতৱ পদাৰ্থ। এই ধাতৱ কৰ্ণাটকৰ 'বিদৰ' নামৰ ঠাইত পোৱা যায়।
৪. তেওঁ ৪ মিনিটতকৈও কম সময়ত এক মাইল দৌৰিছিল, ১৯৫৪ চনৰ ৬ মে'ৰ দিনা।
৫. অন্ধ্ৰপ্ৰদেশৰ ৰাজধানী হায়দৰাবাদ।
৬. ২৫ খিলাত এক দিস্তা, ২০ দিস্তাত ১ ৰিম। এতিয়া অৰশ্বে ওজন হিচাপে 'ৰিম' হয়, গতিকে 'খিলা'ৰ ইফাল-সিফাল হ'ব পাৰে।
৭. তেজবাহাদুৰ ছাপ্ৰু আৰু এম. আৰ, জয়াকৰ।
৮. ফৰাচি ৰসায়নবিদ—ল্যুই পাস্তৰ।
৯. পৃথ্বী।
১০. ৬ এপ্ৰিলৰপৰা।
১১. আৰ, কে, নাৰায়ণ। গ্ৰন্থখনৰ নাম—'স্বামী আৰু তেওঁৰ বন্ধুসকল'।
১২. নিউ জিল্যাণ্ড।
১৩. মোগল সম্ৰাট—শ্বাহজহাঁ (ছাহজাহান)।
১৪. বাক্-স্বাধীনতা, ধৰ্মীয় স্বাধীনতা আৰু দাৰিদ্ৰ-ভীতিৰপৰা মুক্তিৰ স্বাধীনতা।
১৫. ডাব্ল্যু, চি, বোনাৰ্জি (অৰ্থাৎ—উমেশ চন্দ্ৰ ব্যানাৰ্জি)

# জীয়াই থকাৰ মন্ত্ৰ

**বিশালপুৰত** ডাঙৰ মানুহ বোলোঁতে মাত্ৰ দুজনেই। ভূষণ আৰু ৰোহিত। খেতিয়ক ভূষণৰ আছিল দেহ-বল, আৰু বেপাৰী ৰোহিতৰ ধন-বল। দুয়োজনেই নিজক আনজনতকৈ ঢেৰ অধিক বুদ্ধিমান বুলি ভাবে। দুয়োৰো মাজত আছিল 'শত্ৰুৰ ছাগলীৰ কাণ মুচৰিও সুখ' পোৱাবিধৰ দুৰন্ত শত্ৰুতা।

ৰমণী আছিল বিশালপুৰৰ গাঁওবুঢ়া। ৰমণী—নামত তিৰোতা যেন লাগিলেও—মতা মানুহ। আৰু— গাঁওবুঢ়া হ'লেও আচলতে—নামতহে, কামত নহয় বৰ। গাঁৱৰ কিবা কন্দলীয়া কথাৰ মীমাংসা কৰিবলৈ হ'লে সেই ভূষণ বা ৰোহিতৰ পৰামৰ্শ বিনে একোৱেই হ'বলৈ নাই।

ইপিনে—ভূষণে যদি কিবা সিদ্ধান্ত লয়, ৰোহিতে সেই সিদ্ধান্তক নাকচ কৰিব, আৰু ৰোহিতৰ সিদ্ধান্তটো ভূষণে চেঁচা পানী ঢালিব।

তেতিয়া দেশত উন্নত পদ্ধতিৰে খেতি-বাতি কৰাৰ বাবে দেশৰ ৰজাই ৰাইজক বিভিন্নভাবে উৎসাহ-উদগনি দিয়াৰ আঁচনি লোৱা হৈছিল। ওপজ বঢ়াবলৈ উন্নতশ্ৰেণীৰ সাৰৰ প্ৰয়োগ কৰা হ'ব বুলি ৰাজকীয় নিৰ্দেশ জাৰী কৰা হৈছিল। কিয়নো—উন্নতশ্ৰেণীৰ সাৰ ব্যৱহাৰ কৰিলে ওপজ কমেও দুগুণ হ'ব। এই সাৰ—ৰাইজে পইচা দিহে কিনিব লাগিব। কিন্তু—দেশৰ প্ৰতিখন গাঁৱতে কৃষক খেতিয়কইঁতৰ মাজত সাৰ কেনেকৈ কাৰ বা কিহৰ যোগেদি দিয়া হ'ব—সেই কথাত খাটাং সিদ্ধান্ত ল'বলৈ ৰজাই দেশৰ গাঁওবুঢ়াইঁতক ৰাজধানীলৈ মতাই অনাই এখন সন্মিলন পতা হ'ল।"

কুসুম লহকৰ

ৰজাই যি ক'লে, সকলোটিয়েই— সকলো গাঁওবুঢ়ায়েই একবাক্যে মানি ল'লে। ব্যতিক্ৰম কেৱল ৰমণী গাঁওবুঢ়া। ৰমণী গাঁওবুঢ়াই মহাৰাজক ক'লে যে— এই বিষয়ে তেওঁ গাঁৱলৈ গৈ বিশেষ দুজনৰ লগত পৰামৰ্শ কৰাৰ পাছতহে 'হয়-নহয়'ৰ খাটাং ক'ব পাৰিব।

মহাৰাজে আচৰিত মানি ক'লে, "গাঁৱৰ উন্নতিৰ অৰ্থে যি আঁচনি মই হাতত লৈছোঁ, তাৰ বাবে আনৰপৰা পৰামৰ্শ ল'ব লাগিব!"

ৰমণী গাঁওবুঢ়াই ক'লে, "মহাৰাজ, আমাৰ গাঁৱত ৰোহিতৰপৰা দিহা-পৰামৰ্শ নোলোৱাকৈ কোনেও কোনো ধৰণৰ বেহা-বেপাৰ কৰিব নোৱাৰে। মোৰ ধাৰণা, আমাৰ গাঁৱত সাৰ বেচিবলৈ হ'লে— ৰোহিতৰ যোগদিয়েই বেচিব লাগিব। আনহাতে— খেতিয়ক ভূষণৰ অনুমতি নোহোৱাকৈ কোনেও সাৰ নিকিনিব। এই দুজনৰ সন্মতি বিনে—আমাৰ গাঁৱত এই আঁচনি সফল কৰা অসম্ভৱ।"

বিস্মিত ৰজাই সুধিলে, "দেশৰ ৰজাৰ আদেশও সিহঁতে নামানিবনে?"

"তেনেকুৱা কিবা কৰা হ'লে মই হাত সাৱটি বহি থাকিমনে? তেতিয়া সিহঁতক মই পোনে পোনেই বগা ঘৰত ভৰাই থ'লোঁহেঁতেন। মানুহ দুজন অতি সিয়ান। সিহঁতে ভুলতো এনেকুৱা অপৰাধ কৰি ৰজাৰ দ্ৰোহ চপাই নলয়।" ৰমণীয়ে ৰমৰমালে, "সিহঁত দুটা হ'ল আপোন-পেটীয়া — আপোন-পেটালিয়েই হ'ল সিহঁতৰ স্বভাৱ।"

মহাৰাজ এই কৌতূহলজনক কথাটো মহামন্ত্ৰীকো ক'লে। কিন্তু মহামন্ত্ৰীয়ে তৎক্ষণাৎ কোনো সিদ্ধান্ত দিবনোৱাৰিলে।

তেতিয়া ৰমণী গাঁওবুঢ়াই মহাৰাজক ক'লে, "মহাৰাজ! আমাৰ গাঁৱৰ ভূষণ আৰু ৰোহিতৰ মাজত বিভেদ সৃষ্টি কৰিব পৰা কিবা এটা আঁচনি ল'ব পাৰে

যদি—বৰ ভাল হ'ব। সিহঁতৰ নিজৰ মাজত যে বিৰোধ আছে— শুনিলেই। কিন্তু সেই বিৰোধৰ বাবে সিহঁতে— ইটোৱে সিটোৰ বিৰুদ্ধে— কেতিয়াও কোনো অভিযোগ-প্ৰত্যাভিযোগ উত্থাপন নকৰে। ইহঁত দুজনৰ মাজত যদি খোৱা-কামোৰাৰ সৃষ্টি কৰিব পৰা যায়, মোৰ এই দোমোজাত পৰা সমস্যাৰ সমাধান হৈ যাব, মহাৰাজ!"

ৰজাই তেওঁৰ বিদূষকক মতাই অনালে আৰু ৰজাৰ অনুৰোধত ৰমণী গাঁওবুঢ়াই ভূষণ আৰু ৰোহিতৰ কথা—বিদূষকক ভাঙি পাতি বুজাই ক'লে।

বিদূষকে ৰমণী গাঁওবুঢ়াক সুধিলে. "বাৰু, এটা কথাৰ উত্তৰ দিয়াচোন—? ভূষণ আৰু ৰোহিত যদি ইমানেই শক্তিশালী, সেইখন গাঁৱতে তুমি গাঁওবুঢ়া হ'লা—সিহঁত কিয় নহ'ল?"

"সিহঁত দুজনেই অত্যন্ত ক্ষমতাবান। সিহঁতে জানে গাঁওবুঢ়া হ'বলৈ হ'লে— সিহঁতেই পৰস্পৰক বাধা দিব। আৰু— সিহঁতৰ মাজত যদি কোনোবা এজন গাঁওবুঢ়া হয়, তেতিয়া আনকি সেই গাঁওবুঢ়াৰ নিজৰ জীৱনেই সংকটাপন্ন হৈ উঠিব। এই কাৰণেই, সিহঁত তৃতীয় কোনোবা এটাক গাঁওবুঢ়া পাতি থৈছে— যিটো—গাঁওবুঢ়াৰ—দাঁত নাই বিষ নাই ফোপাউৰিয়েই সাৰ।" ৰমণীয়ে বিদূষকক



বুজাই ক'লে কথাটো।

"কিন্তু—খেতিয়কেও তো গাঁৱত বস্তু-সামগ্ৰী কিনিব লাগে, আৰু বেপাৰীকো লাগে কৃষিপণ্য। সিহঁত দুজনে এইবোৰ প্ৰয়োজন পূৰায় কেনেকৈ?" বিদূষকে পুনৰ সুধিলে।

ৰমণীয়ে ক'লে, "ভূষণে নিজে নানে, লগাখিনি ৰোহিতৰ দোকানৰেপৰাই—অনৰদ্বাৰা অনাই লয়। ৰোহিতেও তাকেই কৰে। মুঠতে—কোনো কথাতেই দুয়ো পৰস্পৰৰ সন্মুখীন নহয়, পৰস্পৰৰ মাজত দেখাদেখি নহয়, মাত-বোল নাই।

বিদূষকে ক'লে, "সিহঁত পৰস্পৰৰ শত্ৰু হৈও—কেনেকৈ জীয়াই থাকিব লাগে—জানে। সিহঁত দুয়োজনেই—বাস্তৱিকতেই গিয়ানবুধীয়া সিয়ান। এতিয়া—সিয়ানক সিয়ানেহে পোনাব পাৰিব, গিয়ানীয়ে একোৱেই কৰিব্ নোৱাৰিব। সিয়ানেহে সিয়ানক সোজা কৰিব পাৰে। মই সিহঁতক পোনাবলৈ দুজন সিয়ানক তাৰ ওচৰলৈ পঠাম।"

ৰজাই বিদূষক আঁচনিৰ আগ-পাছ নুবুজা-নভবাকৈয়েই 'হয়' কৰি দিওলে।

বিদূষক আঁচনি মতে শংকৰ নামৰ সিয়ান এজন ভূষণৰ ওচৰলৈ গ'ল আৰু গপাল গোপাল গ'ল ৰোহিতৰ ওচৰলৈ। আৰু কথা তাক কৈ কাণনি-নাকনি কৰাত দুয়ো ওস্তাদ মানুহ। ইহঁতে প্ৰতিদিন ভূষণৰ বিৰুদ্ধে ৰোহিতক আৰু ৰোহিতৰ ৰিৰুদ্ধে ভূষণক কৈ কৈ সিহঁতৰ কাণৰ মলি-গুচাই থাকিল। সকলো কথায়েই ধুমুৰ মিছা। ফলো ফলিল ভাল, হাঁহৰ ওপৰত শিয়াল। ভূষণ আৰু ৰোহিতে পৰস্পৰৰ বিৰুদ্ধে উগাৰ ছাৰি থাকিল; কিন্তু মুখামুখি কাজিয়া-কন্দল, সগুল-মগুল, ঘুচিয়া-ঘুচি একো নহ'ল।

এদিন শংকৰে ভূষণক ক'লে, "কি আৰু ক'ম। চকু-চৰহা মানুহৰ কথাই বেলেগ। আপোনাৰ খেতি-বাতি চাই

ৰোহিতৰ মনত কি যে ৰুদ্ধৰণি! ইমান সেউজ শস্যখিনি—ৰোহিতে বিহ ছটিয়াই নষ্ট কৰিবলৈ ফন্দি পাঙিছে।

কথাটো যে মিছা নহয়, তাৰ প্ৰমাণ স্বৰূপে ভূষণৰ গাই-গৰু বিলাকক বিষ খুৱাই থকা অৱস্থাতে মানুহ এজনক ধৰি আনিছিল শংকৰে। অৱশ্যে—এই মানুহজনক শংকৰেই কামত লগাইছিল। ভূষণৰ জেৰাৰে জেৰবাৰ হৈ মানুহজনে স্বীকাৰ নকৰি নোৱাৰিলে যে—ৰোহিতেহঁ তাক এই কাম কৰিবলৈ লগাইছে।

ঠিক একেই সময়ত—গোপালে কামত লগোৱা মানুহ এটাই ৰোহিতৰ তাত চুৰি কৰিবলৈ ধৰোঁতে হাতে-লুটে ধৰা পৰিল, আৰু ৰোহিতৰ ধমকি খাই থৰথৰি লাগি চোৰটোৱে কৈ দিলে যে তাক এই কামত দূষণ ধৰিব নলাগে, কিয়নো তাক এই কামত ভূষণেহে লগালে।

আচৰিত কাণ্ড—ভূষণে আৰু ৰোহিতেও অপৰাধী দুটাক গাঁওবুঢ়াক গটাই দিলে—কিন্তু সিহঁত দুটাৰ নামত এটায়ো কোনো বিধৰ গোচৰ নতৰিলে।

এদিন ভূষণে শংকৰক ক'লে, "মোৰ ধাৰণা, তুমি ৰোহিতক কোনো শিক্ষা দিব নোৱাৰিবা, আৰু—এতিয়ালৈকে ৰোহিতৰ নামত যিবোৰ লগাইছা—সকলো গোকাট মিছা যে—তাৰো প্ৰমাণ মই পাইছোঁ। আজিৰপৰা সাতদিনৰ

ভিতৰত তুমি যদি প্ৰকৃত সঁচা কথাখিনি মোক নকৈছা—তোমাকেই মই মোৰ গাই-গৰুবিলাকক বিষ খুৱাওঁতা হিচাপে গাঁওবুঢ়াৰ হাতত দিম।"

ৰোহিতেও গোপালক একেইবোৰ কথা ক'লে।

এইবাৰ শংকৰ আৰু গোপাল—কাকপক্ষীকো নজনোৱাকৈ এঠাইত মিলিল আৰু পৰস্পৰক কৈ থাকিল যে সিহঁতৰ ফন্দি-ফুন্দা ধৰা পৰিল আৰু সিহঁত নিজেই এতিয়া বিপ্লাণ্ডত পৰিল। সিহঁতৰ তো বদনামেই বদনাম।

তিমানতে সাৰ-সমাচাৰো মিলিল ৰমণী গাঁওবুঢ়াৰপৰা। ভূষণে চাফ চাফ কৈ দিলে যে—সাৰ হওক গোবৰ হওক যি হওক যা হওক পোনে পোনেই খেতিয়কৰ হালোৱাহঁতৰ হাতত পৰিবহেঁ লাগিব। মাজত কোনো বেপাৰীয়ে বোন্দাপৰ দিয়াটো আমি নসহোঁ।

ইপিনে—ৰোহিতেও ৰাও জুৰিলে—সাৰ লব'লৈ হ'লে যে মোৰপৰা ল'ব লাগিব—সেই কথা সাৰো-সাৰ।"

ঘটনাই যেতিয়া এই ৰূপ ল'লে, তেতিয়া গাঁওবুঢ়া, শংকৰ আৰু গোপাল ৰজা আৰু বিদূষকক লগ কৰিবলৈ গ'ল আৰু ঘটনা তথা সম্প্ৰতিক সাৰ-সমিচাৰ সবিস্তাৰে মহাৰাজক কোৱা হ'ল।

সকলো শুনাৰ অন্তত মহাৰাজে ক'লে, "কোৱাঁ, এতিয়া মই কি কৰিম কোৱাঁ।"

ৰমণী গাঁওবুঢ়াই মহাৰাজক ক'লে, "ৰোহিতলৈ এই কথা কৈ পঠাওক যে—ৰাজজ্ঞা অনুসাৰে সি সাৰ বেচিব লাগিব। ভূষণে আন কাৰোবাক পাঠিয়াই সাৰ কিনি আনক। সিহঁতে মহাৰাজৰ আদেশ অমান্য কৰিব বুলি মই নাভাবোঁ।"

মহাৰাজে দীঘলকৈ হুমুনিয়াহ কাঢ়ি ক'লে, "এনেবোৰ মানুহে—এক হৈ কাম কৰাহেঁতেন কিমান যে ভাল হ'লহেঁতেন!"

শংকৰ আৰু গোপালে বিদূষকক

ক'লে, "এটা কথাত আমি বৰ আচৰিত হৈছোঁ যে—আমাৰ প্ৰতিটো আঁচনিৰ কথা সিহঁত দুটাই কি প্ৰকাৰে আগতীয়াকৈ জানিছিল। আমি মাত্ৰ এবাৰ সিহঁতৰ ওচৰত সঁচা কথা কৈছিলোঁ, আৰু আমি যে সঁচা কৈছিলোঁ—সিহঁত দুয়োটায়েই গম পাই গৈছিল। —কে নে কৈ নো জানিছিল? কি জাদুৰে?"

বিদূষকে হাঁহি মাৰি ক'লে "এতিয়াহে সকলো কথাৰ খেও ধৰিব পাৰিলোঁ। এই কথাত — জাদু-টাদু একোৱেই নাই। আচলতে—ভূষণ আৰু ৰোহিত পৰস্পৰৰ বুদ্ধিমত্তাত বিশ্বাসী। সাধাৰণ বিষয়ক—সিহঁতে বিচাৰৰ যোগ্য কৰি নোতোলে বা তেনেকুৱা কাম কৰি নিজক হাঁহিয়াতৰ পাত্ৰ কৰিও নোতোলে। যিবোৰ সমস্যাক সিহঁতে নিজে নিজেই সমাধান কৰিব পাৰে, সেইবোৰ সমস্যাত আন কাৰোবাৰ হস্তক্ষেপ সিহঁতে বৰ্জন কৰি চলে। তোমালোকে সিহঁতৰ পৰস্পৰৰ বিৰুদ্ধে 'অভিযোগ' দাঙি ধৰিছিলা, কিন্তু ভূষণ বা ৰোহিতেও অভিযোগ-প্ৰত্যাভিযোগত অকণোকে গুৰুত্ব নিদিয়াকৈ, নিজ নিজ বুদ্ধিমত্তাৰে অভিযোগৰ ডাৱৰ উৰাই দিছিল। সিহঁত পৰস্পৰ শত্ৰু, কিন্তু অতি বুদ্ধিমান শত্ৰু। সিহঁত জীয়াই থকাৰ মন্ত্ৰ জনা শত্ৰু। বুদ্ধিহীন মিত্ৰতকৈ বুদ্ধিমান শত্ৰু হ'লেও—বৰ চতুৰ শত্ৰু। মন কৰিবলগীয়া এয়ে যে—ইমান শত্ৰুতা থকা সত্বেও সিহঁতে কিন্তু পৰস্পৰৰ বিৰুদ্ধে কদাপি মিছাৰ ভঁৰাল সজা নাই। বা কোনোবিধৰ কদৰ্য্যতাৰো আশ্ৰয় লোৱা নাই, বা কোনোদিনেই পৰস্পৰৰ বিৰুদ্ধে মিছ দোষাৰোপও কৰা নাই। এনেবোৰ শত্ৰুৰ এই খিনিতেই মহত্ব। ইহঁত হ'ল—বিচক্ষণীয়া শত্ৰু।"

বিদূষকৰ অতি যুক্তিপূৰ্ণ তথা ন্যায্য কথা মহাৰাজেও মানি ল'লে।

# সাঁতোৰ নজনা ভেকুলী

ঘাঘৰপুৰৰ ৰাথৰাম নামৰ কৃষক এজনে খেতি-বাতিৰ কাম কৰাৰ বাবে এজন সুতখোৰ মহাজনৰপৰা কিছুখিনি টকা ধাৰলৈ ল'লে। কিন্তু এবছৰ গ'ল দুবছৰ গ'ল—টকা এটাও পৰিশোধ কৰিব নোৱাৰিলে। ধাৰৰ টকা সুতে-মূলে ক্ৰমাত ইমানেই বাঢ়ি থাকিল যে—সিমান টকা পৰিশোধৰ কথা ভাবিলেই তাৰ মূৰ আচন্দ্ৰাই কৰি থাকিল।

তেতিয়া—পাঁচ বছৰমানৰ পাছত সুতখোৰ মহাজনে ৰাথৰামৰ খেতি-মাটিখিনি দখল কৰিলে। গাঁৱৰ গাঁওবুঢ়ায়ো এই কথাত ৰাথৰামক কোনো সহায়-তহায় নকৰাত ৰাথৰাম পোনে পোনেই দেশৰ ৰজাৰ ওচৰলৈ গ'ল আৰু মহাৰাজে সুতখোৰ মহাজনক মতাই অনালে।

মহাৰাজে ৰাথৰামক সুধিলে, "কৰ্জ্জ লৈ খৰচ কৰিলে যে পাছত পৰিশোধ কৰিব লাগে—নাজানানে?"

"কেৱল জানিলেই নহয় নহয়, মহাৰাজ? ভেকুলীয়ে সাঁতুৰিব নাজানেনে? জানে। কিন্তু আমাৰ গাঁৱৰ ভেকুলীবিলাকে সাঁতুৰিব নাজানে। যোৱা পাঁচ বছৰ ধৰি আমাৰ গাঁৱৰ ভেকুলীবোৰে সাঁতোৰা নাই।" ৰাথৰামে মহাৰাজক ক'লে।

"এইবোৰ বেবেৰিবাং বকিছে কিয় এইজন কৃষকে?" ৰজাই হাঁহি হাঁহি তেওঁ মহামন্ত্ৰীক সুধিলে, তাৰ পাছত সুতখোৰ মহাজনক ৰজাৰ ধন ভঁৰালৰপৰা ৰাথৰামৰপৰা পাবলগা ধনখিনি দিবলৈ মন্ত্ৰীক ক'লে।

তাৰ পাছত মহাৰাজে ৰাথৰামক ক'লে, "তোমালোকৰ গাঁৱৰ ভেকুলীবোৰ যেতিয়া সাঁতুৰিব পৰা হ'ব—তেতিয়া ধনখিনি ওভোতাই দিবা কিন্তু।" ৰাথৰাম গুচি গ'ল।

মহাৰাজৰ কথাত অবাক হৈ পৰা মহামন্ত্ৰীয়ে এই বিষয়ে মহাৰাজক সোধাত মহাৰাজে মহামন্ত্ৰীক ক'লে, "ৰাথৰামৰ বক্তব্য আছিল যে—যোৱা পাঁচ বছৰ ধৰি সিহঁতৰ সেই অঞ্চলত বৰষুণ দিয়া নাছিল। গতিকে খেতি-বাতিও কৰিব পৰা নাছিল। ভেকুলীয়ে সাঁতুৰিব নজনাৰ আচল ৰহস্য—এয়ে।"



# বীৰ হনুমান

৪৩

উৰি উৰি অযোধ্যালৈ যাওঁতে হনুমান হঠাৎ বাল্মীকিৰ আশ্ৰমত নামিল। বাল্মীকিক সাষ্টাংগে প্ৰণাম কৰিলে হনুমানে, আৰু তাৰ পাছত সুধিলে, "হে মহামুনি, আমাৰ পৰম আৰাধ্য প্ৰাণপ্ৰিয় প্ৰভু শ্ৰীৰামচন্দ্ৰৰ অৱস্থা এনেহেন হ'ল কিয়—দয়া কৰি আমাক ক'বনে?"

বাল্মীকি মুনিয়ে মৃদুকৈ হাঁহিৰে হনুমানক ক'লে, "ৰাজকাৰ্য্য বৰ কঠিন, হনুমন্ত! শম্বুকক নিৰপৰাধ জানিও—সমাজৰ উচ্চবৰ্ণসকলৰ তুষ্টিৰ অৰ্থে শ্ৰীৰামচন্দ্ৰই তেনেহেন অন্যায় কাৰ্য্য কৰিবলগীয়া হৈছিল। কেতিয়াবা কেতিয়াবা—প্ৰজাৰ পৰিতুষ্টিৰ অৰ্থে—জানি-বুজিও প্ৰজাৰঞ্জক ৰজাই অনভিপ্ৰেত কাম কৰিব লাগে। ৰামচন্দ্ৰ যে আদৰ্শ ৰজা—সেই কথা জগতে জানে। জগতে জানে যে—শ্ৰীৰামচন্দ্ৰ হ'ল মানৱজাতিৰ পথ-প্ৰদৰ্শক।"

তাৰ পাছত, মহামুনি বাল্মীকিৰপৰা বিদায় লৈ, হনুমান পুনৰ আকাশলৈ উৰিল আৰু সুৰম্য-সুশোভন অযোধ্যাৰ ৰাজ-ভৱনৰ সমুখস্থ উদ্যানবনত আকাশৰপৰা নামি আহিল।

তাত, তেতিয়া লৱ আৰু কুশে বিধোবিধ শিক্ষামূলক খেলা প্ৰদৰ্শন কৰি দৰ্শকসকলৰ মনোৰঞ্জন কৰি আছিল সিহঁতে বাণ মাৰি এটা জাতু-অট্টালিকা

'কৰালকণ্ঠ-শূৰ্পনখা নিধন'

নামিলোঁহি, কোনো ভোজবাজী নাই এই কথাত। মই শ্ৰীৰামচন্দ্ৰৰ দৰ্শন-অভিলাষী —হনুমান।”

“তোমাৰ কথা কেনেকৈনো আমি বিশ্বাস কৰিম? টাঙোন হাতত থাকিলেই হনুমান নহয় নহয়? তোমাক—মায়াবী যেনহে লাগিছে।” এই কথা কৈয়েই লৱে হনুমানলৈ বাণ টোঁৱালে।

কুশ আছিল ৰামচন্দ্ৰৰ দৰে শান্ত স্বভাৱৰ। কুশে শান্ত কণ্ঠেৰে হনুমানক ক'লে, “তুমি যে প্ৰকৃততেই হনুমান—সেইটি কথাৰ প্ৰমাণ সাঁচে-কাটে নিদিয়ালৈকে তোমাৰ এৰণো নাই সাৰণো নাই।”

লৱে ক'লে, “ঠিক আছে, হনুমানে তেওঁৰ দেহ আকাশলংঘা কৰি তুলিব পাৰে, তুমি পাৰানে কি চাওঁচোন—”

হাস্যমুখৰ হনুমানে মুহূৰ্ততে তেওঁৰ দেহ সুউচ্চ পৰ্বতসম কৰিলে আৰু লৱ-কুশক তেওঁৰ বাহুৰ ওপৰত বহুৱাই লৈ মুহূৰ্ততে মাৰিলে উৰা আৰু পালেগৈ আকাশৰ চূড়া!

হনুমানে লৱ-কুশক ক'লে, “মহীৰাৱণক বধ কৰোঁতে ঠিক এনেকৈয়েই ৰাম-লক্ষ্মণক কান্ধত লৈ উৰিছিলোঁ মই।”

তাৰ পাছত—কিছু সময়ৰ আকাশ-বিহাৰৰ অন্তত—হনুমান পুনৰ তললৈ

মুহূৰ্ততে বনালে আৰু পাছ মুহূৰ্ততে সেই জাদু-অট্টালিকা পুনৰ বাণ এটি নিক্ষেপ কৰি নোহোৱা কৰি পেলালে।

হঠাৎ তাত হনুমানক দেখা পাই লৱ-কুশ বিস্মিত হৈ উঠিল আৰু সিহঁতে মুহূৰ্ততে বাণেৰে ব্যূহ সাজি সেই ব্যূহৰ মাজত হনুমানক বন্দী কৰি পেলালে।

লৱে গৰ্জি উঠি হনুমানক সুধিলে, “হে মায়াবী! তুমিনো কোন? আকাশৰ-পৰা সঁচাসঁচিকৈয়েই নামিলানে আমাক ভোজবাজী দেখুৱালা—সত্য উত্তৰ দিয়া।”

হনুমানে মিচিকীয়াই হাঁহি মাৰি লৱক ক'লে, “হয়, মই আকাশৰেপৰাই

নামি আহিল কেইপাকমান মাৰি।

লৱ-কুশে হনুমানক প্ৰণাম কৰিলে আৰু ক'লে, "হে হনুমান, আপোনাৰ প্ৰতাপ প্ৰত্যক্ষ কৰাৰ আমাৰ বৰ বাসনা আছিল। সেইহে আমি আপোনাৰ সৈতে সেই ৰকমৰ অন্যায় আচৰণ কৰিছিলোঁ। আমাক ক্ষমা কৰক।"

হনুমানে দুয়োকো আঁকোৱালি ল'লে আৰু তাৰ পাছত তেওঁৰ আৰাধ্য প্ৰভু ৰামচন্দ্ৰ-সন্দৰ্শনলৈ আগ বাঢ়িলে।

আৰু তাত হনুমানক দেখা পায়েই শ্ৰী ৰা ম চ ন্দ্ৰ ৰ দু-চকুৰপৰা লোতক বৈ আহিল। শ্ৰীৰামচন্দ্ৰই নিৰৱে-নিশব্দে অশ্ৰুজল বোৱাবলৈ ধৰিলে।

হনুমানে অতি ধীৰ-শান্ত কণ্ঠেৰে শ্ৰীৰামচন্দ্ৰক ক'লে, "হে প্ৰভু! সাধাৰণ মানুহৰ দৰে আপুনিও চঞ্চল হ'লে নহ'ব, কিয়নো—আপুনি ৰাজদণ্ড ধাৰণ কৰি থাকিব লাগিব। ৰাজ-কাৰ্য্য পালন—সুকঠিন কাৰ্য্য-কাৰণ। আৰু—ভৱিষ্যতৰ নৰকুলে যুগ যুগ ধৰি যিগৰাকী প্ৰজা-মংগলকাৰী ৰজাৰ উদাহৰণ দিব, তেওঁ ৰোৰুদ্যমান হ'লে জগৎ-সংসাৰ হ'ব বিমৰ্ষ। যিবোৰ ঘটনা ঘটিছে সকলো ঘটনায়েই ভৱিষ্যতৰ দৃষ্টান্ত স্বৰূপ হ'ব বুলিয়েই ঘটিছে। এইবোৰ দুঃখদায়ক ঘটনা—ভৱিষ্যত মানৱৰ বাবে দৃষ্টান্তস্বৰূপ। ৰাজকাৰ্য কি আৰু কিমান যে কঠোৰ কণ্টকময়—মানৱে জানিব।" এই বুলি কৈ হনুমানে ৰামচন্দ্ৰক সান্ত্বনা দিলে।

দীৰ্ঘ হুমুনিয়াহ কাঢ়ি শ্ৰীৰামচন্দ্ৰই ক'লে, "হে হনুমান, তোমাক দেখা পাই, আৰু তোমাৰ কথা শুনি মই কিঞ্চিত সান্ত্বনা লভিছোঁ। সীতাৰ অসহনীয় বিচ্ছেদ-জ্বালা কথঞ্চিত প্ৰশমিত হৈছে। কিন্তু অশ্বমেধ যজ্ঞৰ অশ্ব যদি ফিৰাই নাপাওঁ, তোমাৰ ৰামচন্দ্ৰও আৰু জীৱিত হৈ নাথাকিব। যজ্ঞাশ্ব মণিপুৰলৈ বুলি প্ৰধাৱিত হোৱাৰ বাতৰি আমি পাইছোঁ।

যজ্ঞাশ্বৰ পম খোদ লক্ষ্মণ ভৰত শত্ৰুঘ্নও গৈছে। তথাপি—সেই যজ্ঞাশ্বক ফিৰাই অনাৰ দায়িত্ব তোমাতে অৰপিলোঁ।”

কোৱা মাত্ৰেই হনুমান মণিপুৰলৈ বুলি উৰিল।

উৰি উৰি গৈ থাকোঁতে এঠাইত এক অটব্য অৰণ্যৰ মাজত দুটা ৰাক্ষস-ৰাক্ষসীয়ে তাণ্ডৱনৃত্য কৰি থকা দেখা পাই হনুমানে অতি সূক্ষ্মৰূপ ধৰি এজোপা গছৰ ডালত পাতৰ আঁৰত বহিলগৈ। তেতিয়া ৰাক্ষসীয়ে ৰাক্ষসটোক কৈ আছিল, “শুনা, শতুৰুৰ শেষ ৰাখিব নাপায় বুলি বচনত কৈছে। ৰাম হ'ল আমাৰ শত্ৰু। গতিকে—তাক যেনে-তেনে যমৰ আলহী কৰা টো হে কথা। সি দি না তই কৰালকণ্ঠই ধোবাৰ ভেশ ধৰি যিখন কাণ্ড কৰিলি ভালৰো ভাল ভা ৰ ৰী য়া য়ো তেনেখন ভাও দিব নোৱাৰে।”

ৰাক্ষস কৰালকণ্ঠই ক'লে, “হাৰে শূৰ্পনখী! তোলৈ চাই চাই—মন ৰাই-জাঁই, তোৰ কথা শুনি—উঠে কলিজাত কঁপনি। তয়ো তোৰ এই থাইকহী ৰূপ সলালি—মোক কত যে খেম-খাটনি কৰালি। মই যদি ৰামৰ যম, তয়ো নহয় একো কম!”

কৰালকণ্ঠ আ ছি ল ‘শতকণ্ঠ-ৰাৱণ’ৰ ভায়েক। ৰাম-ৰাৱণৰ যুদ্ধৰ সময়ত সি কৰালকণ্ঠই পলাই সাৰিছিল। তাৰ পাছত, ৰামৰ হাতত যেতিয়া তাৰ ককায়েক শতকণ্ঠ-ৰাৱণ মৰিল, তেতিয়া সি পলৰীয়াই ৰামক যমৰ দুৱাৰ পোৱাব বুলি প্ৰতিজ্ঞা কৰিলে। পাছত, ধোবাৰ ভেশ ধৰি ৰামচন্দ্ৰক ধাপ্পা দিয়াৰ ঘাই কথা হ'ল এই কথা। আৰু শূৰ্পনখা-জনীৰ তো কথাই নাই। ৰাম-লক্ষ্মণৰ ওপৰত তাই ইমান যে খং! লক্ষ্মণে যে তাইৰ নাক কাটি নাক-নোহোৱা ক ৰি ছি ল—তাই জীয়াই থা কোঁ তে পাহৰিবনে? গতিকে শতুৰু শালিবলৈ

দুয়ো হ'ল এক, একে ঠাইত লাগিল লগ।

দুয়োটায়েই ভোকত দিনতে এন্ধাৰ দেখি আছিল আৰু সেইহে খাবলৈ মানুহ ধৰিবলৈ ৰাক্ষস গুচি মানুহৰ ৰূপ ধৰিছিল। আৰু এনেকৈয়েই হঠাৎ দুয়োজনৰ মাজত দেখাদেখি।

দেখাদেখিও হ'ল আৰু শূৰ্পনখায়ো কৰালকণ্ঠৰ কলিজাত বিন্ধাকৈ দৃষ্টিবাণ মাৰি পঠালে। আৰু লগে লগে কৰালকণ্ঠ পমিল, বা পমি পনীয়া হোৱাৰ ভাও জুৰিলে। ভাবিলে: যি পাওঁ লৈ লওঁ, ভোকে কি জানিব মতা বা তিৰোতা।

কিন্তু অলপমান দূৰলৈ গৈয়েই—এক নিৰল-নিৰ্জন ঠাইত ৰূপৱতী-কাচনমতী শূৰ্পনখাই তাইৰ ৰাক্ষসী মূৰ্তি ধৰি যেতিয়া কৰালকণ্ঠকে গবা মাৰি ধৰি গিলিবলৈ ল'লে, তেতিয়াহে কৰালে জানিলে—কি গছৰ গুটি খালে কি হয়।

কৰালে কক্কাই কৈ উঠিল, "হাৰে—হা! তুমিও দেখোন খাইহৰ ছাহা!"

আৰু তেতিয়া কৰালেও ৰাক্ষসমূৰ্তি ধৰিলে আৰু দুয়ো এক হৈ অযোধ্যাৰ অৰণ্যত থাকিবলৈ ল'লে।

ইপিনে—গছৰ ডালত বহি হনুমানে ইহঁত দুটাৰ কাণ্ড-কাৰ্খণা চাই আছিল আৰু সিহঁতহালৰ কথা-বতৰাখিনি অতি মনযোগেৰে শুনি আছিল।

কৰালকণ্ঠই তেতিয়া শূৰ্পনখাক কৈ আছিল, "ধোবাৰ ভেশ ধৰি ৰামক গালি পাৰি থাকোঁতে তাত হনুমানটো নাছিল যে—সেয়ে ৰক্ষা! নহ'লে—সি-বান্দৰে আমাক নিশ্চয় যমৰ আলহী কৰিহে এৰিলেহেঁতেন।"

শূৰ্পনখাই ক'লে, "সেই হনুমান বোলাটোৰ কথা আৰু নক'বা। তাৰ নাম শুনিলেও মাটিত সাত কিল মাৰিবৰ মন যায়।"

"সঁচ্—চা কৈছা। সি-বেটা বান্দৰৰ পোৱালি একদম এটা জীয়া চৈতান।"



কৰালকণ্ঠই কক্কাই ক'লে।

"কথাটো ঠিকেই কৈছা। পিছে—চৈতান হওক যি হওক—সাহিয়াল সি হয়। তোমাৰ দৰে পিঠি দেখুৱাই পলাই ফাট মৰাত সি নাই।" শূৰ্পনখাই শাপন্ত কথাটি ক'লে, "কাম এটা কৰা যাওক। ব'লা, আন ক'বালৈ গৈ আমি একেলগে থাকোঁ গৈ—।"

"থাকিম। কিন্তু—এটা কাম কৰাৰ পাছতহে যাম। ৰামৰ ঘোঁৰাটো ধৰিব লাগিব।" ৰাক্ষস কৰালকণ্ঠই ক'লে।

"বঢ়িয়া ফন্দী পাঙিছ। ঘোঁৰাটোৰ পিঠিত উঠি আমি দুয়ো যেনিয়ে মন যায় তেনিয়ে গৈ থাকিম। ৰহিয়া ফন্দী পাঙিছ।" শূৰ্পনখাই ক'লে।

"ধ্যেৎতেৰি বুৰ্বক বুদ্ধভূতুম কুন্ধচ কন্ধ পৰাজনী ক'বাৰ—" কৰালে কচুজোৰা দিলে, "ঘোঁৰাত উঠিবিনে ঘোঁৰাৰ ডিমা খাবি তই—।"

"খোলোঁ ঐ—" শূৰ্পনখাই কৰালৰ নাকত কলা খাৰ ঘঁহি দিবৰ মনেৰে ক'লে, "মোৰ নাক আৰু কাণৰ কিছু ইফাল-সিফাল হ'ল তো কি হ'ল? দেখন-দৰ্পণে এতিয়াও মই জেঠমহীয়া পকা আমটো—চানমুখীও—বুইছ নহয় তই জহনীত্ত যোৰাটো?—ক' তেন্তে—তেন্তে ঘোঁৰাৰ ডিমা ঘোঁৰাটো তোক কেলেইনো লাগিছে?"

কৰালে ক'লে, "ঘোঁৰাটোক মাৰি পেলাব লাগে।"

"ঘোঁৰাৰ সৈতে আমাৰনো কিহৰ ঘোঁৰাৰ ডিমাৰ কাজিয়া?"

"আছে—আছে!" কৰালে ক'লে, "ৰামৰ সৈতে কাজিয়া আছে যদি—তাৰ ঘোঁৰা ভেড়া গাহৰি গাধৰ সৈতেও। যদি ঘোঁৰাটোক বিচাৰি নাপায়—ৰামৰ যজ্ঞৰ কোনো ফল নহ'ব। এনেয়ে সীতা নথকাত ৰাম আধামৰাহেন হৈ আছে। তাতে যদি তাৰ এই ঘোঁৰামেদ যজ্ঞও

ব্যৰ্থ হয় সি মৰিবই মৰিব।"

"তেনেহলে ব'লা, তাক তৎকালেই মাৰি পেলাওঁ আৰু ঘোঁৰাৰ মুণ্ডৰ কোমল মঙহ খাওঁ! ক'লে তাই।

"খাইকহ ক'বাৰ! সদায় খোৱাৰ ধান্দা!" এই বুলি কৈয়েই কৰালে তাৰপৰা গুচি যাবলৈ খোজ বঢ়ালে, কিন্তু শূৰ্পনখায়ো তাৰ লগ ল'লে।

দুয়ো যেতিয়া খোজ বঢ়ালে, তেতিয়া গছৰ ডালত বহি থকা হনুমানে তেওঁৰ দীঘল নেগুৰডালেৰে দুয়োকো মেৰিয়াই ধৰি বাটৰ ওপৰত বগৰাই পেলালে।

কৰালকণ্ঠই আটাহ পাৰি উঠিল, "সাপ! সাপ! বিৰাট সাপ!" কিন্তু শূৰ্পনখাই ক'লে, "সাপ নহয়—এয়া হ'ল নেজ! হনুমানৰ নেজ!"

"চুপ থাক কৈছোঁ।" কৰালে বমকি উঠিল, "ইয়াতনো ক'ত হনুমানটো ওলাল? যি দেখ—যা দেখ—য'তে যি যা দেখিছ—হনুমানেই হনুমান বুলি ভাবিছ!"

"মই তাক চিনি পাওঁ। লংকাপুৰীখন সিয়েই তাৰ নেগুৰৰ জুয়েৰে জ্বলাইছিল—জানিছনে নাই?" তাই শূৰ্পনখাই ক'লে।

শূৰ্পনখাৰ কথা নৌ শেষ হওঁতেই কৰালে ফাট মাৰিবৰ মনেৰে ইফালে-সিফালে চাই মাৰিলে লৰ, আৰু শূৰ্পনখাই চিঞৰি উঠিল, "মোক এৰি থৈ কেলেইনো গৈছ ঘৰ—ঔ?"

এইবাৰ হনুমানে 'লম্ফ দিয়া পড়িয়া ভূতলে' সৰুসুৰা পাহাৰ এটা উপাৰি আনি ৰাক্ষস-ৰাক্ষসীলৈ দলিয়াই মাৰিলে, আৰু সেই পাহাৰৰ তলত চেপন খাই দুয়োটায়েই গৈ চিধ্ খাই সিপাৰ পালে।

আৰু পাছ মুহূৰ্ততে বিৰাট সিংহনাদ কৰি হনুমানে পুনৰ মণিপুৰলৈ বুলি আকাশলৈ উৰা মাৰিলে আৰু চাওঁতে চাওঁতে হনুমানৰ দৃষ্টিপথত পৰিল ৰজতশুভ্ৰ মহাবাহু ব্ৰহ্মপুত্ৰ।



# আমাৰ প্ৰাণৰ কথা

কশ্যপৰ দেউতাক ঢুকুৱাৰ এবছৰো হোৱা নাই। কিন্তু এই প্ৰায় এবছৰতে বেপাৰ-কাৰবাৰত তাৰ ঢেৰ লোকচান হ'ল। তাৰ ফলত কশ্যপ ধৰুৱা হৈ পৰিল আৰু সেই ধাৰৰ ধন পৰিশোধ কৰিবলৈ কশ্যপে তাৰ বোপা-ককাই দি থৈ যোৱা মাটি-ভেটিখিনিও বেচিব লগা হ'ল।

কশ্যপে তাৰ দুটি সন্তান আৰু পৰিবাৰক লৈ অন্য গাঁৱলৈ গ'ল আৰু তাত এটা খাপৰি ইটাৰ চাল থকা জৰাজীৰ্ণ ঘৰত থাকিবলৈ ল'লে।

থকা'ৰ যেনিবা কিবা ধৰণৰ বন্দবস্ত এটা হ'ল, কৰা'ৰ কি হ'ব? কিবা কাম-ধান্দা নকৰাকৈ খাব কি? খুৱাব কি?

কশ্যপৰ পৰিবাৰ কাজলী আছিল এজনী বুদ্ধিমতী কিন্তু অতি কাজিয়াখোৰ তিৰোতা। কাজলীয়ে তাইৰ গিৰিয়েক কশ্যপক ক'লে, "চিন্তা কৰিব নালাগে। আমি খৰি কাটি আনি বেচিব পাৰোঁ দেখোন। এই ঠাইৰ চাৰিওফালে হাবিয়েই হাবি—অটব্য হাবি। আমাৰ ভালৰো ভাল চোকৰ তৰোৱালহেন কুঠাৰো এখন আছে। আৰু নো কি লাগিছে?"

হাবি গছে-বনে ভৰপূৰ। যেইফালে চকু যায়, সেইফালে গছ আৰু গছ আৰু গছ। কিন্তু শুকান খৰি-কাঠ ক'তো এডালো বিচাৰি নাপালে কশ্যপে।

তেতিয়া আন উপায় নাপাই কশ্যপে ভাবিলে: শুকান নাপামেই যেতিয়া—সেউজ এজোপাকে কাটি লওঁ। কেদিন-মানৰ পাছত শুকাবই।

এই কথা ভাবি গছ এজোপাত

নৰেশ তালুকদাৰ

কশ্যপে সেই নাৰীগৰাকীক ক'লে।

নাৰীগৰাকীয়ে ক'লে, "শুনা—মই হ'লোঁ বনদেৱী। তোমাকে কি লাগে কোৱাঁ। কিন্তু জীৱন্ত গাছ এজোপাও নকাটিবা, কাটিব নাপায়।" এই বুলি কৈ তেওঁ স্থিৰ দৃষ্টিৰে আকাশলৈ চালে আৰু লগে লগে ক'ৰবাৰপৰা সুন্দৰ গাই এজনী তালৈ আহিল। বনদেৱীয়ে ক'লে, "শুনা, এই গাইজনী ঘৰলৈ লৈ যোৱা। গাইজনীয়ে যেতিয়াই লাগে তেতিয়াই গাখীৰ দিব।—কিন্তু আগলৈ আৰু কেতিয়াও গছ নাকাটা যেন। এই বুলি কৈ—বনদেৱী নোহোৱা হ'ল।

পোনতে কশ্যপে কোৱা কথাখিনি কাজলীয়ে বিশ্বাসেই কৰা নাছিল। কিন্তু পাছত যেতিয়া গাইজনীয়ে সঁচাসঁচি যেতিয়াই-তেতিয়াই গাখীৰ দিয়া হ'ল, যেতিয়া কলহে কলহে গাখীৰ পোৱা হ'ল, আৰু সেই গাখীৰ চহৰত বেচি কশ্যপে ধন ঘটা হ'ল, তেতিয়া ভালেই পালে।

কিন্তু তাইৰ এই ভালপোৱা এদিন বেয়াপোৱালৈ বাগৰিল। তাই কশ্যপক ক'লে, "শুনা, খীৰাই খীৰাই মই একেবাৰে ভাগৰি পৰিছোঁ। তুমি গাইজনীক ওভোতাই দিয়া, আৰু বনদেৱীক কোৱাগৈ যে—তুমি খৰি

কুঠাৰেৰে ঘপিয়াবলৈ লওঁতেই ক'ৰবাৰ-পৰা এক নাৰীকণ্ঠই কৈ উঠিল, "ৰ'বা।"

কশ্যপে তাৰ বিস্মিত দৃষ্টিৰ আগত সেউজীয়া বৰণৰ সাজ-পাৰ পিন্ধা এগৰাকী নাৰীক দেখা পাই স্তব্ধ হৈ পৰিল। সেই নাৰী গৰাকীয়ে কশ্যপক ক'লে, "কশ্যপ, এয়া কেনে ধৰণৰ অন্যায়-অত্যাচাৰ কোৱাচোন? জীয়া জীয়া গছবোৰ কিয় মানুহে—তোমালোকে কাটিবা?"

"মা! তুমি মোৰ দাৰিদ্ৰ্যৰ কথা নিশ্চয় জানা। মই, জীয়াই থকাৰ আৰু ৰখাৰ কাৰণে আন কোনো উপায় নাপাইহে মই এই কাম কৰিবলৈ ওলাইছোঁ।"

কাটিয়েই পেট প্ৰৰ্ত্তাবা। তাৰ পাছত কি হয় চাবা।" মহৰিৰ তলৰ মহ কশ্যপে পৰিবাৰৰ কথা মতেই কাম কৰিলে।

বনদেৱীয়ে কশ্যপক সুধিলে, "কিনো কথা—কশ্যপ? তোমাক কামধেনু এজনী দিলোঁ—তাৰেও নহ'লনে?"

"মা, মোৰ পৰিবাৰে ইমান গাখীৰ খীৰাব নোৱাৰিব বুলি ক'লে মোক। এই কাম কৰাত তাই দিগদাৰ পাইছে।"

এইবাৰ বনদেৱীয়ে ডাঙৰ হাঁহ এজনী কশ্যপক আনি দিলে আৰু ক'লে "এইজনীয়ে যেতিয়াই লাগে কণী দিব আৰু তাৰেই তোমালোকৰ জোখে-জোখাৰে হৈ যাব। গছ কেৱল মোৰেই নহয়, তোমালোকৰো প্ৰাণ। গছ আৰু নাকাটিবা, ধ্বংস নকৰিবা।" এই বুলি কৈয়েই বনদেৱী অদৃশ্য হ'ল।

কাজলীয়ে হাঁহজনীক ইমান যে ভাল পালে! যেতিয়াই কয়—"কণী" তেতিয়াই মস্ত ডাঙৰ ডাঙৰ কণী দিয়ে হাঁহজনীয়ে।

কিন্তু পোন্ধৰটি দিনো পাৰ নহ'ল—কাজলীয়ে কশ্যপক ক'লে, "চোৱা। এনেকৈ 'কণী কণী'কৈ সদায় মই চিঞৰি থাকিব নোৱাৰিম। তুমি বনদেৱীৰ-পৰা আন কিবা বস্তু খুজি লোৱাগৈ।"

পাছদিনা — কশ্যপে কিনো আৰু কৰিব— হাঁহজনীক লৈ পুনৰ হাবিলৈ গ'ল, কুঠাৰ দাঙি গাছ এজোপা কাটিবলৈ



ল'লে আৰু তৎক্ষণাৎ বনদেৱীয়ে আৱিভূ'তা হৈ কশ্যপক ক'লে, 'কি কৰা —কি কৰা কশ্যপ? কিয় আকৌ গছ কাটিবলৈ লৈছা? কথানো কি?"

কশ্যপে তেতিয়া তাৰ পৰিয়ালৰ কোৱা কথাখিনি বনদেৱীক ক'লে। বনদেৱীয়ে আকাশলৈ চালে, আৰু ৰাজহাঁহজনীৰ সলনি তাত এটা বিশেষ ধৰণৰ পাত্ৰ কশ্যপে দেখা পালে।

বনদেৱীয়ে কশ্যপক ক'লে, "চোৱাঁ, তোমাক মই এই অক্ষয়পাত্ৰ দিছোঁ। এই অক্ষয়পাত্ৰৰপৰা যেতিয়াই যি খোৱাবস্তু খুজিবা, অক্ষয়পাত্ৰই সেই বস্তু দিব। এতিয়াৰপৰা কিন্তু আৰু কদাপিও গছ-গছনি নাকাটিবা।" এই বুলি কৈয়েই বনদেৱী নোহোৱা হ'ল।

কিন্তু এমাহো পাৰ নহ'ল, কাজলীয়ে এই কামতো ইস্তফা দিলে। তাই তাইৰ গিৰিয়েক কশ্যপক ক'লে, "এতিয়া দিনে-নিশই খোৱাবস্তু খুজিবলৈহে সাজু হৈ থাকিবলগীয়া হৈছোঁ, এনে আপদীয়া কাম —মোৰদ্বাৰাই আৰু নহৈছে। সেই বনদেৱীয়ে তোমাক হোলাৰ ভাই মোলা হেন পাই— সদায় নচুৱাব ধৰিছে। কাইলৈ তোমাৰ সৈতে ময়ো হাবিলৈ যাম আৰু কুঠাৰখন বনদেৱীৰ মুখলৈ দলিয়াম। চাবা—মই বনদেৱীৰপৰা কি পাওঁ—কি লওঁ।"

পাছদিনা সেই অক্ষয়পাত্ৰ লগত লৈ কশ্যপ আৰু কাজলী হাবিলৈ গ'ল আৰু কাজলীৰ কথা মতে গছ এজোপা কাটিবলৈ কশ্যপে কুঠাৰখন দাঙিলে।

আৰু লগে লগে বনদেৱীয়ে কৈ উঠিল, "ৰ'বা, মূৰ্খ! অক্ষয়পাত্ৰ পায়ো তোমাৰ তৃপ্তি নহ'লনে? আৰু—এইবাৰ তোমাৰ পৰিবাৰকো লগত লৈ আহিছা কিয়?"

কশ্যপে বনদেৱীক কিবা নো ক'বলৈ পাওঁতেই কাজলীয়ে কৈ উঠিল, "কেৱল খোৱাবস্তুৰে কি হ'ব আমাৰ? এই

অক্ষয়পাত্ৰৰপৰা আমি ধন-সোণ নাপাম নহয় ?" এই বুলি কৈ—কাজলীয়ে সেই অক্ষয়পাত্ৰ তললৈ দলিয়াই পেলালে।

অক্ষয়পাত্ৰটো ডোখৰ ডোখৰ হৈ গ'ল। বনদেৱীয়ে মিচিকীয়াই হাঁহি মাৰি ক'লে, "তোমালোকে অতিলোভেই নিজৰ ভাগ্য বিনষ্ট কৰিলে। মই তোমালোকক যিটো বস্তু দিছিলোঁ, সেইটো সঠিকভাবে মোক ওভোতাই দিলেহে তাৰ সলনি আন এটা বস্তু দিব পাৰিম, নহ'লে দিব নোৱাৰিম।"

কাজলীয়ে খঙতে কশ্যপক ক'লে, "কিনো ভেবা লাগি চাই আছা ? তুমি এতিয়াই যিমান পাৰা সিমান গছ কুঠাৰেৰে ঘপিয়াই তললৈ বগৰাই পেলোৱা।"

লগে লগে, কশ্যপে কুঠাৰেৰে গছত ঘপিয়াবলৈ সাজু হ'ল, কিয়নো—নহ'লে কাজলীয়ে যে তাক নঘপিয়াব — তাৰ কোনো স্থিৰতা নাই। কিন্তু—কিন্তু হঠাৎ কশ্যপৰ সোঁহাতখন জঠৰ হৈ পৰিল আৰু তাৰ হাতৰপৰা কুঠাৰখন তললৈ পৰি গ'ল।

এইবাৰ কাজলীয়ে কান্দিবলৈ ধৰিলে আৰু বনদেৱীক ক'লে, "আই আমাৰ! আমাক ক্ষমা কৰা—আই!"

কিন্তু এতিয়া আৰু তাইৰ কান্দোনে কোনো গুণ নিদিলে। কাজলীৰ কান্দোনত বনদেৱী প্ৰসন্না নহ'ল।

এবুকু হতাশাৰে কশ্যপ-কাজলী ঘৰলৈ উভতিল আৰু ঘৰতো কাজলীয়ে দুৰ্ৱাৱাৰে

কান্দি থাকিল, কিন্তু তাই আশা কৰা মতে—বনদেৱী আৰু আৱিৰ্ভূতা নহ'ল।

এই ঘটনাৰ পাছৰপৰা কশ্যপে সেই হাবিৰপৰা—হাবিৰ গছ-গছনিৰপৰা ফল-ফুল আদি বুটলি আনি ই-গাঁৱৰ সি-গাঁৱৰ হা ট-ব জা ৰ ত বেচি — তাৰেই পেট প্ৰৱৰ্তাবলৈ ধৰিলে। হাবিৰপৰা—বুটলি অনা মধুৰিআম, তেঁতেলী, জামু, গোলাপ-জামু, তাল, নাৰিকল আদি লৈ আহি বেচি থকাৰ উপৰিও—সেইবোৰৰ পুলি সিহঁতৰ বাৰীত ৰুলে।

আৰু কেইবছৰমানৰ অন্তত পুলি ডাঙৰ হ'ল আৰু ফলও উপজিল।

এইবাৰ কশ্যপেও সেইবোৰ ফল গাড়ীত বোজাই কৰি চহৰলৈ লৈ গ'ল আৰু ভাল দামত নিজৰ খেতিৰ ফলবোৰ বেচি ঢেৰ ধন ঘটা হ'ল।

এই ঘটনাৰ কিছুদিনৰ অন্তত টকাৰ শকত মোনা এটি গিৰিয়েকক দেখুৱাই কাজলীয়ে ক'লে, "বনদেৱীয়ে আমাক সঁচাকৈয়েই জীয়াই থকাৰ সমল দিলে, দৃষ্টিহীনক দৃষ্টি দিলে।"

কশ্যপে অবাক দৃষ্টি মেলি ঘৈণীয়েক কাজলীলৈ চালে।

কাজলীয়েই পুনৰ ক'লে, "পেট প্ৰৱৰ্তাবলৈ গছ-গছনি কাটি অৰণ্য ধ্বংস কৰাটো বৰ বেয়া আৰু অনাৱশ্যকীয় কথা। প্ৰকৃতপক্ষে—গছ-গছনিয়ে জীৱন্ত অৱস্থাত আমাক যিমান সহায় কৰিব পাৰে— কাটিলে তাৰ আধাৰ আধাও নোৱাৰে। গছ-বনক ৰক্ষা কৰাৰ অর্থ হ'ল—আমাৰ নিজৰ যে ৰক্ষা—বনদেৱীয়ে আমাক সেই কথা শিকাই গ'ল।"

এই বুলি কৈ—কাজলয়ে হাত যোৰ কৰি অদৃশ্য বনদেৱীলৈ প্ৰণাম কৰিলে আৰু কশ্যপেও বনদেৱীক কৃতজ্ঞতাৰে সুঁৱৰিলে আৰু ক'লে, "ঠিকেই কৈছা, বৃক্ষৰক্ষা হ'ল আত্মৰক্ষাৰেই নামান্তৰ।"



## সম্বাদ-বিচিত্ৰা

### বয়সত তিনি কত যে পায় চিনি!

মীনাক্ষীৰ বয়স মুঠেই তিনি! উত্তৰপ্ৰদেশৰ দেহৰাডুনৰ সমীপৱৰ্তী ৰাইৱালাত থাকে। মীনাক্ষী এতিয়া অতি বিখ্যাত। কিয়নো—তাই বাতৰিকাকত পঢ়িব পাৰে, বাক্য-ৰচনা কৰিব পাৰে, দুই অংকৰ যোগ-বিয়োগ-গুণ-ভাগ কৰিব পাৰে অতি সহজেই। কিন্তু দেউতাক হাৱলদাৰ পাত্ৰ আৰু মাক মঞ্জুৱা তাইক লৈ বৰ বিপদত। তাইক কোনো পঢ়াশালিয়ে নলয়. কিয়নো, তাই পাঁচ বছৰীয়া নোহোৱালৈকে কোনো পঢ়াশালিয়ে তাইক ভৰ্তি কৰি ল'ব নোৱাৰে। চৰকাৰী নিয়ম বোলা কথা। অৱশ্যে—ঘৰতো তাই পঢ়া-লিখা কৰিব পাৰে। কিন্তু দশম শ্ৰেণীলৈকে পঢ়া তাইৰ নিজৰ মাক-দেউতাকৈকে অধিক যোগ্য শিক্ষক লাগে তাইক। কি যে আপদীয়া সমস্যাৰ বিপদীয়া কথা!

### নিজৰ মঙহ নিজে খালে!

মেক্সিকোৰ ১৪ বছৰীয়া চেমনীয়া এটিয়ে নিজৰ মঙহ নিজে খাই নিজক ৰক্ষা কৰিছিল। বাৰ্নাবে অ্যাকস্টা নামৰ এই ল'ৰাটি—বজ্ৰপাতেৰে বা উচ্চশক্তি সম্পন্ন বিজুলীৰ স্পৰ্শেৰে অগ্নি-দুৰ্ঘটনাৰ কবলত পৰিছিল। উদ্ধাৰকাৰী দল এটাই কেইবাদিনৰো অন্ততহে তাক উদ্ধাৰ কৰিছিলগৈ আৰু সেই কেইদিন সি জুইৰে পুৰি যোৱা নিজৰ সোঁহাতৰ মঙহ নিজে খাই নিজক ৰক্ষা কৰিছিল।

### জুই-খেল

আমেৰিকাৰ ওহিঅ' অঞ্চলৰ মোৰেইন নামৰ ঠাইৰ অষ্টিন মেনাৰ নামৰ পাঁচ বছৰীয়াই টি ভিত বস্তু-সামগ্ৰী জুইৰে জ্বলোৱাৰ দৃশ্য চাই নিজেও জুইবাহ লৈ খেলি থকাত মাকে তাক বাৰে বাৰে বাধা দিছিল। কিন্তু তথাপি সি জুইবাহ লৈ খেলি থকাত এদিন তাৰ সেই জুই-খেলেৰেই তাৰ ভনীয়েকক সি মাৰি পেলাইছিল!

### কুকুৰে শুঙিলে ৰক্ষা পৰিলে

সম্প্ৰতি মহাৰাষ্ট্ৰত হৈ যোৱা বিধ্বংসী ভূকম্পত ১৮ মহীয়া ছোৱালী এজনী শিল-মাটি আদিৰ তলত অচেতন হৈ পৰি আছিল ধ্বংসস্তূপৰ প্ৰায় আঠ ফুট তলত। ছোৱালীজনী চাৰিদিন ধৰি শিল-মাটিৰ তলত চেপা খাই পৰি আছিল। তাৰ পাছত—ফ্ৰান্সৰপৰা অহা ৩৮ জনীয়া উদ্ধাৰকাৰী দলৰ লগতঅহা বিশেষ ক্ষমতসাম্পন্ন কুকুৰ এটিয়ে গোন্ধ শুঙি শুঙি ছোৱালীজনী সেই ধ্বংসস্তূপৰ তলত থকাৰ সঙ্কেত দিলে আৰু উদ্ধাৰকাৰী দলে তাইক উদ্ধাৰ কৰিলে।



# জীৱনৰ পাত

দূৰদেশৰ কোনোবা এখন গাঁৱত চমকা নামৰ চেমনীয়া এটিয়ে এগৰাকী ধন্যাঢ্য খেতিয়কৰ ওচৰত কাম কৰিছিল। চমকাই ঘাইকৈ গৰু-ম'হবিলাকক চৰাবলৈ চৰণীয়া পথাৰলৈ লৈ গৈছিল।

গাঁৱৰ সিমূৰত আছিল বিৰাট চৰণীয়া পথাৰ। গৰখীয়া ল'ৰাইঁতে আৰু গৰু-ম'হ-ছাগলী-ভেড়াবিলাকৰ বাহিৰে সেইফালে কোনো মানুহ-দুনুহ নগৈছিল। এই চৰণীয়া পাথৰত কেৱল ঘাঁহেই নাছিল, গাছ-বিৰিখো আছিল ঢেৰ। কিন্তু এইবোৰ গছ-বিৰিখৰ চাওঁতা-চিতোঁতাহে কোনো নাছিল। অযত্নলালিত এইডৰা পথাৰত গৰখীয়া ল'ৰাইঁতে সিহঁতৰ গৰু-ম'হ-বা ভেড়া-ছাগলীবিলাকক মেলি দি সাঁজ লগাৰ আগলৈকে খেলি থাকিছিল, আৰু তাৰ পাছত নিজৰ নিজৰ গৰু-ভেড়াবিলাকক লৈ পুনৰ গাঁওমুৱা হৈছিল।

এদিনৰ কথা। আনদিনাৰ দৰে সিদিনাও চমকাই তাৰ গৰু-ম'হবিলাকক লৈ গ'ল সেই চৰণীয়া পথাৰলৈ। কিন্তু কথা আচৰিতেই, সেইদিনা — আন কোনো গৰখীয়া ল'ৰা নাছিল। বৈ বৈ যেতিয়া বেলিয়ে পচিমৰ পিনে হালিবৰ হ'ল, আৰু যেতিয়া— তেতিয়ালৈকো কোনো এটা ল'ৰাও নাছিল, তেতিয়া চমকাই খঙতে গৰু-ম'হবিলাকক উধা-মুধাকৈ কোবাবলৈ ধৰিলে। গৰু-ম'হ-বিলাকৰ গাত কোনো দোষ নাই জগৰ নাই তথাপি সিহঁতক চমকাই ধুম-পিটনে পিটি থাকিল। এনেতে টোকা-পকৰা এটা ক'ৰবাৰপৰা উৰি আহি খংমুৱা চমকাৰ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

গাত পৰিল, আৰু চমকাই টোকা-পকৰাটোক থাপ মাৰি ধৰি ছুটুকুৰা কৰি দলিয়াই দিলে।

ছুটুকুৰা হোৱা টোকা-পকৰাটো পৰিলগৈ কিছুমান লিহলিহীয়া পাত থকা সৰু সৰু গছৰ ওপৰত, আৰু সেই পাতৰ ওপৰত পৰাৰ লগে লগেই ছুটুৰা হৈ মৰি যোৱা পকৰাটো পুনৰ জী উঠি ভুকংকৈ উৰি গুচি গ'ল!

কাণ্ড চাই চমকাই প্ৰচণ্ডভাবে চমকি উঠিল। মৰা টোকা-পকৰাটোৱে কিহৰ গুণত কেনেকৈনো পুনৰ জীৱ ঘূৰাই পোৱা হ'ল? সি সেই পাতবোৰ—যিবোৰ পাতৰ ওপৰত টুকুৰা হোৱা টোকা-পকৰাটোক দলিয়াই পেলাইছিল সি—সেই পাতবোৰ চালেগৈ পৰীক্ষাৰ মনেৰে। সি সেই পাতবোৰৰ গুণ-দুৰ্গুণ একোৱেই ঠাৱৰ কৰিব নোৱাৰিলে। কিন্তু—এই বিস্ময়কৰ ঘটনাৰ গুৰিত যে এই জোপোহা—তথা জোপোহাৰ এই পাতবোৰ—সেই কথাত তাৰ সন্দেহ নাথাকিল।

তাৰ পাছত সি পথাৰখন চলথ কৰি আন এজোপা জেপোহাৰ ওপৰত মৰি পৰি থকা মৌমাখি এটা লৈ আহিল আৰু এই পাতবোৰৰ ওপৰত মৰা মৌমাখিটো থৈ দিলে। লগে লগে পুনৰ সেই অবাক-কাণ্ড ঘটিল, মৰা মৌমাখিটো উৰি গ'ল।

এইবাৰ চমকা নিঃসন্দেহ হ'ল—এই সৰু সৰু গছ আৰু তাৰ পাতবোৰেই হ'ল মৃতসঞ্জীৱনীৰ গছ-পাত। সি ভাবিলে: এইবোৰ পাতৰ ওপৰত পৰি উৰি যোৱা টোকা পকৰাটো যদি ছুটুকুৰা হোৱা মৰা টোকা-পকৰাটো নাছিল, যদি আন এটা টোকা-পকৰা উৰি গৈছিল — মৰা মৌমাখিটোৰ বেলিকানো কি? সেই মৰা মৌমাখিটো সি বুটলি আনি এইবোৰ পাতৰ ওপৰত থৈছিল আৰু লগে লগে সেই মৰা মৌমাখিটোৱে তাৰ জীৱ ঘূৰাই পাই উৰি গুচি গৈছিল।

মৃতসঞ্জীৱনী বৃক্ষৰ কথা চমকাই তাৰ আইতাকৰপৰা বহু দিন বহু বাৰ শুনিছিল। এইবাৰ সি নিজেই সেই প্ৰত্যক্ষ ৰহস্যৰ প্ৰমাণ পালে।

পাছদিনা—অন্যান্য গৰখীয়া ল'ৰাক সি কথাটো কোৱাত—সিহঁতে তাক 'পগলা অ' পগলা—তই হ'লি ছাগ্‌লা' বুলি কৈ কৈ জোকোৱাত—সি সিহঁতক মৃতসঞ্জীৱনীৰ জোপোহাটো আৰু নেদেখুৱালে।

কিছুদিনৰ অন্তত গাঁৱৰ গাঁওবুঢ়া ঢুকাল। এই গাঁওবুঢ়া মানুহজন আছিল অতি ভাল মানুহ। গাঁৱত এইজন গাঁওবুঢ়াৰ কোনো শত্ৰু নাছিল। ৰাইজে সিহঁতৰ এই গাঁওবুঢ়াজনক ভগৱান দেখা দি দেখিছিল।

এই পৰম উপকাৰী গাঁওবুঢ়াজনৰ মৃত্যুৰ কথা শুনি চমকাই ভাবিলে: গাঁৱৰ ৰাইজৰ সহায়ত মৃত গাঁওবুঢ়াজনক সেই মৃতসঞ্জীৱনীৰ ঝাৰৰ মানে— জোপোহাৰ ওচৰলৈ লৈ যাওঁ যদি—পুনৰ প্ৰাণ ঘূৰাই নাপাবনে? নিশ্চয় পাব।

তিমানতে গাঁওবুঢ়াৰ দহাকাম শেষ কৰিবলৈ যো-জা কৰিছিল ৰাইজে। এনেতেচ মকাই সেই ঠাই পালেগৈ।

চমকাৰ কথাত গাঁৱৰ ৰাইজ অতি আনন্দৰে ৰাজী হ'ল আৰু মৃত গাঁওবুঢ়াক সেই মৃতসঞ্জীৱনীৰ গছ-পাত থকা চৰণীয়া পথাৰলৈ লৈ গ'ল। কিন্তু—কিন্তু দিনৰ পাছত দিন ধৰি—সদায় দেখি থকা সেই মৃতসঞ্জীৱনীৰ ঝাৰটো চমকাই বহুতো পৰলৈকে বিচাৰিও ৰাইজক দেখুৱাব নোৱাৰিলে। মৃতসঞ্জীৱনীৰ সেই বিৰাট ঝাৰৰ—অৰ্থাৎ জোপোহাৰ যে কি হ'ল, কেনেকৈ আৰু কিয় যে তাৰপৰা নোহোৱা হ'ল জীৱন ঘূৰাই পোৱাৰ সেই পাতবোৰ —চমকাই একোপধ্যেই তাৰ চয়-নিচয় কৰিব নোৱাৰিলে।



# বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

## সৰ্প-গতি




সাপ বৰ দ্ৰুতগামী বুলি যি ধাৰণা আছে, সেই ধাৰণা সঠিক নহয়। আচলতে সাপ হ'ল ধীৰ-গতি সৰীসৃপ। কেৱল—যেতিয়া কিবা আহাৰ্য্য চিকাৰ কৰিব—তেতিয়াহে সাপৰ গতি হ'ব অতিপাত তীব্ৰ। ক'লা বৰণৰ সাপৰ গতি আটাইতকৈ তীব্ৰ।

## আলুৰপৰা আলু




পূৰঠ আলুগুটি কিছুদিনৰ কাৰণে থৈ দিয়াৰ পাছত সেই আলুগুটিৰ গাৰপৰা অংকুৰ তথা গজালি ওলায় আৰু আলুগুটিৰ এই অংকুৰবোৰপৰাই পাছত পুনৰ আলুগুটি ওপজে।

## উৰন্ত 'শিয়াল'

বাদুলি হ'ল অতি ক্ষুদ্ৰ প্ৰাণী। বাদুলিৰ মূৰটো দেখাত এন্দুৰৰ দৰে—কিন্তু এনেকুৱা বাদুলিও নথকা নহয়—যিবোৰ বাদুলিৰ মূৰ দেখাত সাইলাথ শিয়ালৰ মুণ্ডৰ দৰে প্ৰকাণ্ড। এইবোৰ বাদুলিৰ ডেউকা বহলে ছ ফুটীয়া। এইবোৰে যেতিয়া উৰে, তেতিয়া দেখাত উৰি থকা শিয়াল যেন লাগে। এনেবোৰ 'উৰন্ত শিয়াল' আমাৰ দেশতো ঠায়ে ঠায়ে নথকা নহয়।


Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!


SUPER
RUBBER
It's time to go back to school again. Time for text
books. Time for games. Time to meet old friends.
And make new ones. Time to start studying
again. Because there's so much to learn about
the world around you.
From all of us here at Chandamama, have a
great year in school. And remember to tell us
what you've learnt everyday, when you
come home from school !
THE
HANDAMAMA
OLLECTION
ARTIG 1246

## ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৪ চনৰ এপ্ৰিল সংখ্যাত প্ৰকাশিত হ'ব।

S.G. SESHAGIRI

S.G. SESHAGIRI

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৪ চনৰ ফেব্ৰুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'স্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

---

**১৯৯৩ চনৰ ডিচেম্বৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :**

প্ৰথম ফটো : খাবলৈ নাই ভাত দ্বিতীয় ফটো : হাঁহিবলৈ আছে দাঁত

উজ্জ্বলৰাজ বৰা, পলাশনি, নগাঁও, অসম।

[ পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব ]

---

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

**Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.**

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

# চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ।

**১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত**

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

CHANDAMAMA (Assamese) February 1994 Regd. No. TN / MS (S) / 87

বিনামূল্যে!
নিউট্রিন ক'ক'নাট কুকীজৰ ২৫ খন
ৰেপাৰৰ সলনি ৬ টা ষ্টাম্প ষ্টিকাৰ।
SEND TO : P.B. 2574,
CHETPET MADRAS-31.

মই নাৰিকল ভাঙি
ভাল পাওঁ!

আৰু তুমি ?

বচ্ ভাঙি পেলোৱাঁ !

এই সুযোগ অবিহনেও নিউট্রিন ক'ক'নাট কুকীজ পোৱা যায়।

nutrine
The widest smile

VISESH/ASM